চানদমামা

জুন ১৯৯৬



আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই

PARLE

জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্ৰতি খোজেই পৰীক্ষা লয়। কেনিনো আগুৱাম, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, নোখোজাকৈ কাৰোবালৈ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়। বছৰ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিছৰা বিস্কুট।



• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/110as

ওলাল নতুন দৰব

বিনামূলীয়াকৈ ৭ দিনৰ দৰব লওক

বগা দাগ

দেহত ওলোৱা বগা দাগ — আমাৰ আৱিষ্কৃত এই নতুন দৰব ব্যৱহাৰেৰে — ৩৬ ঘণ্টাতে ৰঙা বা গুলপীয়া বৰণ ল'ব। তাৰ পাছত সেইবোৰ দাগ হ'ব ক'লা আৰু ক্ৰমে ক্ৰমে গাৰ ছালৰ স্বাভাৱিক বৰণ পাব।

অন্যান্য দৰবে আপোনাক যদি হতাশ কৰি তুলিছে, আমাৰ এই 'বিনামূল্যত দৰব-পৰীক্ষা'ৰ আঁচনি মতে ৭ দিনৰ বাবে এই নতুন দৰব অনুগ্ৰহ কৰি পৰীক্ষা কৰি চাওক।

বেমাৰৰ পূৰ্ণ বিবৰণৰে সৈতে বেমাৰীৰ বয়স, দেহৰ কোন কোন ঠাইত বগা ওলাইছে, পুৰুষ / নাৰী ইত্যাদি লিখি পঠালেই আমি আপোনালৈ দৰব পঠাই দিম।

চুলি সৰা / চুলি পকা

আনকি অতি কম বয়সতো চুলি সৰিব পাৰে, পকিবও পাৰে। কিন্তু তাৰ কাৰণে আৰু চিন্তা নকৰিব।

ভাৰতীয় গছ-বিৰিখৰ শিপা, পাত, বাকলি, আৰু লতা আদিৰে আমি যি বনৌষধি তথা সোণসেৰীয়া ভস্ম প্ৰস্তুত কৰিছোঁ, তাৰে নিশ্চয় চুলি সৰা/চুলি পকাৰপৰা সম্পূৰ্ণ মুক্ত হ'ব পাৰিব।

যদি অন্যান্য বেমাৰো আপোনাৰ আছে, যেনে — স্মৃতিশক্তিৰ ক্ষীণতা, অত্যধিক শকত তথা মেদযুক্ত হোৱা আদিৰ অতি সুফলপ্ৰদ আৰু সফল চিকিৎসাৰ বাবেও আমাৰ সৈতে অৱশ্যেই যোগাযোগ কৰক।

শ্যাম আয়ুৰ্বেদ ভৱন

(SB-3) ডাকঘৰ : কাত্ৰিছৰাই (গয়া)-৮০৫ ১০৫, ☎ ফোন : ০৬১১২-৭৪৩১১

গৌতম গোস্বামী
১৮/৬/১৯৯৬

চান্দমামা

*

জুন ১৯৯৬

এই * আছে
সংখ্যাত

*

স্ব-নিযুক্তিৰ স্বাধিকাৰ : ৭
পৃথিৱীৰ খিৰিকীৰে : ৯
সময়ৰ শৰ : ১০
লগনৰ লটি-ঘটি : ১৬
ৰূপধৰৰ যাত্ৰা : ১৭
চান্দ-সম্বাদ : ২৪
বিকৃতত্ম : ২৫
সাগৰৰ পাৰে পাৰে : ৩৩
বৃত্তি-প্ৰবৃত্তি : ৩৭
খাঁজ-খোপ : ৪১
মহাভাৰত : ৪৫
চান্দমামা-ক্ৰোড়পত্ৰ : ৫৩
জীৱন-শিল্প : ৫৭
ৰছী-ৰহস্য : ৬৩
ফটো-প্ৰতিযোগিতা : ৬৬

*

চান্দমামা : খনে : ৫'০০ টকা মাথোন
বছৰেকীয়া বৰঙনি : ৬০'০০ টকা মাথোন

JUST RELEASED

The first set of **Chandamama Books,** splendid in their content, illustrations, and production, is now ready.


The Fourth Friend
MANOJ DAS

Rs. 30/-


LEGEND OF THE GOLDEN VALLEY
MANOJ DAS / Illustrations by Sisir Datta

Rs. 40/-

The Golden Deer
MANOJ DAS
SISIR DATTA

Rs. 30/-


MANOJ DAS
THE MAGIC TREE AND OTHER TALES

Rs. 30/-


EQUAL TO A THOUSAND
AND OTHER TALES
MANOJ DAS

Rs. 25/-


A STRANGE PROPHECY
AND OTHER TALES FROM THE JATAKAS
MANOJ DAS
SISIR DATTA

Rs. 30/-

Discount for members of
Chandamama Young Scholars Club.

For details, write to :

CHANDAMAMA BOOKS
Chandamama Bldgs.
Vadapalani, Madras - 600 026.

GUESS WHO'S MY BEST FRIEND in SCHOOL ?

chelpark

Chelpark

chelpark
COMPASS WITH DIVIDER ATTACHMENT
chelpark OIL PASTELS
chelpark STUDENTS OIL PASTELS
chelpark
chelpark
MOPPLES WAX CRAYONS

CHELPAK RANGE OF PRODUCTS : WAX CRAYONS, WATER COLOUR CAKES, PEN, PENCIL, INK, OIL PASTELS, MOPPLES COLOUR SET, WATER COLOUR SET, GUM etc.

CHELPAK COMPANY PVT. LTD. A-93, Industrial Estate, Rajajinagar, Bangalore - 560 044. Phone : 91-080-3351562, 3351694

Option 96



চান্দমামা

সংস্থাপক : চক্রপাণি সঞ্চালক : বি নাগিৰেড্ডি

স্ব-নিযুক্তিৰ স্বাধিকাৰ

স্বাধীনতাপ্ৰাপ্তিৰ পাছৰপৰা যিকোনো দলীয় চৰকাৰেই, যোৱা পঞ্চাছ বছৰত বিধোৰিধ শিক্ষা-প্ৰতিষ্ঠানৰ বৃদ্ধি কৰিছে। স্কুল-কালিজ আৰু বিশ্ববিদ্যালয় সংখ্যাত অনেক বাঢ়িছে, আৰু নতুন নতুন বিষয়বস্তু শিক্ষাদানৰো বন্দৱস্ত কৰা হৈছে।

কিন্তু অতি দুৰ্ভাগ্যৰ কথা, এই শিক্ষা-বৃদ্ধিৰ লগে লগে জীবিকা বৃদ্ধিৰ বন্দৱস্ত তেওঁলোকে কৰিব পৰা নাই—যাৰ ফলত দেশত শিক্ষিত নিবনুৱা দোপত দোপে বাঢ়ি গৈছে। বিশ্বৰ অন্যান্য দেশতো অৱশ্যে এই অৱস্থা বিদ্যমান। যেনে—আমেৰিকাই তেওঁলোকৰ শিক্ষিত নিবনুৱাসকলক 'নিবনুৱা-ভাত্তা' দিয়ে। কোৱা হয়, তাৰ শিক্ষিত নিবনুৱাসকলে নিজৰ মটৰগাড়ী চলাই সেই ভাত্তাৰূপী ভিক্ষা আনিবলৈ যায়।

এই প্ৰসংগত এটা বিশেষ কথা : যিকোনো বিশেষ শিক্ষাৰে শিক্ষিত—অৰ্থাৎ যিকোনো বিশেষ বিদ্যাত ট্ৰেইনিংপ্ৰাপ্তই সেই বিশেষ বিদ্যাৰ চাকৰিলৈ বৈ নাথাকি নিজে নিজেই অন্য কিবা কৰিব নোৱাৰেনে এই 'ছেল্‌ফ্‌-হেল্‌প'ৰ যুগত ?

আজিৰ দিনত 'স্ব-নিযুক্তি'ও হ'ল এক বিশেষ-বিশিষ্ট কৰ্মধাৰা। এই কৰ্মধাৰাত জঁপিয়াই পৰিবলৈ আনৰ সহায়লৈ বৈ থাকিব নালাগে, আনৰ মুখাপেক্ষী হৈ থাকিব নালাগে, অযথা বৈ বৈ জীৱনৰ মূল্যবান সময়বোৰ নষ্ট কৰিব নালাগে আৰু সৰ্বোপৰি আত্মশক্তিৰ অপচয়ো কৰিব নালাগে। এই বিশেষ যুগত বিশেষত্বপূৰ্ণ বিষয়সমূহ চিন্তা কৰি চাবলগীয়া বিষয়।

বছৰ : ২১ জুন ১৯৯৬ সংখ্যা : ৩

খনে ৫·০০ টকা : : বছৰেকীয়া বৰঙনি ৬০·০০ টকা

এটি বিশেষ জাননী

আৰু

আমাৰ মাননীয় গ্ৰাহকসকললৈ গোহাৰি

মাননীয় ৰাইজ,

অসমীয়া ভাষাৰ চান্দমামা একৈছ বছৰীয়া হ'ল, যদিও অন্যান্য বিভিন্ন ভাষাৰ চান্দমামাৰ সমষ্টিগতভাবে ৫০ বছৰ পূৰ্ণ হ'ল। কিন্তু তাৰ কাৰণে চান্দমামাৰ কোনো ধৰণৰ পৰিৱৰ্তনৰ আৱশ্যকতা আমি অনুভৱ কৰা নাই, যদিও কিছু কিছু বিষয়ত পৰিৱৰ্তন অৱশ্যম্ভাৱী তথা এক এৰাব নোৱৰা বিষয় হৈ মূৰ দাঙি উঠিছে।

প্ৰথমতঃ—কাগজ। সকলো ভাষাৰ চান্দমামা এক বিশেষ ছাইজৰ আৰু বিশেষ কোৱালিটিৰ কাগজত ছপা কৰা হয়, আৰু সেই কাগজ ক্ৰমাত অলভ্য তথা দুৰ্মূল্য হৈ উঠিছে, আৰু লগতে ছপাৰ অন্যান্য ক্ষেত্ৰতো ব্যয়ভাৰ বহুগুণে বাঢ়িছে।

যোৱা কেইবাবছৰৰেপৰাই এই বৰ্দ্ধিত ব্যয়ভাৰ আমাৰ মাননীয় গ্ৰাহকসকলক আমনি নকৰাকৈয়েই আমি বহন কৰিছোঁ। কিন্তু এতিয়া একান্ত নিৰুপায়ত পৰি এই বিপুল ব্যয়ভাৰ আংশিকভাৱে বহন কৰিবলৈ আপোনোসৱৰ দ্বাৰস্থ হৈছোঁ।

দ্বিতীয়তঃ—১৯৯৬ চনৰ জুলাই মাহৰপৰা চান্দমামাৰ বেচ ৫.০০ টকাৰ সলনি ৬.০০ টকাকৈ আৰু বছৰেকীয়া বৰঙনি ৭২.০০ টকাকৈ ধাৰ্য্য কৰিবলৈ বাধ্য হৈছোঁ।

তৃতীয়তঃ—চান্দমামাৰ আকাৰ, অৰ্থাৎ ছাইজ সামান্যমান বৃদ্ধি কৰা হৈছে, আৰু সেইহে, গল্প-কাহিনীৰ আকাৰও বৰ্দ্ধিত আকাৰেৰে ছপা কৰা হ'ব। চান্দামামাৰ সুবৰ্ণ জয়ন্তী বছৰৰপৰা চান্দমামাক আগৰ আকাৰত তথা ছাইজত প্ৰকাশ কৰা হ'ব।

আমাৰ আশা, এই পৰিৱৰ্তনত আপোনালোকৰ সহৃদয় সহযোগ আমি পাম।

সদৌ ৰাইজলৈ শুভেচ্ছাৰে সৈতে —

আপোনালোকৰ

(বি. বিশ্বনাথ ৰেড্ডি)

প্ৰকাশক

পৃথিৱীৰ খিৰিকীৰে

সাঙীত নলৰা সম্পৰ্ক

২ মাৰ্চৰ দিনা অস্ট্ৰেলীয় সাধাৰণ নিৰ্বাচন হৈ গ'ল, আৰু অস্ট্ৰেলীয় লিব্যাৰ্যাল-ন্যাশ্যনাল দলৰ জন্ হাওৰাৰ্ডক এইবাৰ প্ৰধানমন্ত্ৰী পতা হ'ল। প্ৰধানমন্ত্ৰীৰ পদ প্ৰাপ্তিৰ পাছতেই তেওঁ ঘোষণা কৰিলে : অস্ট্ৰেলিয়াই দক্ষিণ এছিয়াৰ সৈতে, বিশেষকৈ ভাৰতৰ সৈতে, সাঙীত নলৰা সুসম্পৰ্ক স্থাপন কৰিব। এই সুসম্পৰ্কৰ অন্যতম ভিত্তি হ'ব—দৃঢ় অৰ্থনৈতিক সম্পৰ্ক। আৰু তেওঁৰ এই ঘোষণা ভাৰতৰ পক্ষে যে আনন্দদায়ক—সেই কথা বুজাই কোৱাৰ আৱশ্যকতা নাই।

বিগত তেৰ বছৰ ধৰি অস্ট্ৰেলীয় লেবাৰ দলৰ শাসন-কালত জন্ হাওৰাৰ্ড বিৰোধী দলত আছিল। আৰু এইবাৰৰ সাধাৰণ নিৰ্বাচনত হাওৰাৰ্ডৰ লিব্যাৰ্যাল-দলে ১৪৮ খন আসনৰ মাজত ৯০ খন আসন অধিকাৰ কৰিলে। লেবাৰ দলে পালে ৫০ খন আসন। এইবাৰৰ আগৰ নিৰ্বাচনত লেবাৰ দলে ৭৯ খন আসন পাইছিল।

অস্ট্ৰেলিয়া হ'ল ক্ৰিকেটখেলৰ দেশ। ক্যানবেৰা ইয়াৰ ৰাজধানী। লেবাৰ দলৰ পল্ কিটিঙৰ নেতৃত্বত দীৰ্ঘকাল শাসনৰ অন্তত এইবাৰ অস্ট্ৰেলীয় জনসাধাৰণে পৰিৰ্তৱন বিচাৰিলে আৰু সেই পৰিৱৰ্তনৰ সূচনাও কৰিলে। কিন্তু এই পৰিৱৰ্তন—বৈদেশিক নীতি বা আৰ্থিক নীতিৰ পৰিৱৰ্তন নহয়, যাইকৈ ট্ৰেড-ইউনিয়ন-বিধিৰ পৰিৱৰ্তন লাগে তেওঁলোকক। আৰু—এই পৰিৱৰ্তন সাধন কৰাৰ বাবেই দলীয় শাসনৰো পৰিৱৰ্তন কৰা হ'ল তেওঁলোকে। শ্ৰমিক আৰু মালিকৰ মাজত থকা সম্পৰ্ক বা বিৰোধ—শ্ৰমিক আৰু মালিকৰ মাজত আলোচনাক্ৰমে স্থিৰ হওক—জনসাধাৰণে এই মত প্ৰকাশ কৰিলে। আৰু নিৰ্বাচনত লিব্যাৰাল-দলেও এই অশ্বাস প্ৰদান কৰিছিল।

পল্ কিটিঙৰ চৰকাৰে ৰাজবংশীয় শাসন-ব্যৱস্থালৈ অস্বীকৃতি জ্ঞাপন কৰিছিল, যাৰ ফলত বৃটেইনৰ সৈতে সুসম্পৰ্কৰ অৱসান হৈছিল।

১৬ ফেব্ৰুয়াৰিৰ দিনা ছাৰ উইলিয়াম ডিন ২২তম গাভাৰ্নাৰ জেনেৰ্যাল নিযুক্ত হ'ল। তেওঁ গাভাৰ্নাৰ জেনেৰ্যালৰ পদ গ্ৰহণ কৰাৰ পাছত ঘোষণা কৰিলে যে—এই শতিকাৰ শেষ ভাগত অস্ট্ৰেলিয়াত ৰাষ্ট্ৰপতি-নিৰ্বাচন অনুষ্ঠিত হ'ব। তেওঁ আৰু ক'লে যে— ২০০০ চনত স্বতন্ত্ৰ ৰিপাবলিকত ওলিমপিক ক্ৰীড়া অনুষ্ঠান সম্পাদিত হ'ব। এই নিৰ্বাচনত পল্ কিটিঙেও অনুৰূপ ঘোষণা কৰিছিল।

জন হাওৰাৰ্ড—এগৰাকী উকীল। এওঁৰ বয়স ৫৬ বছৰ। ১৯৮৩ চনত ম্যালকম-ফ্ৰেজাৰ মন্ত্ৰিমণ্ডলীত হাওৰাৰ্ড আছিল অৰ্থমন্ত্ৰী। মিঃ জন্ হাওৰাৰ্ড অকট'বাৰ মাহত আমাৰ দেশলৈ আহিব।

১৯৯৪ চনত আমাৰ ভাৰতৰ ১২৫০ জন বিদ্যাৰ্থী উচ্চশিক্ষাৰ বাবে অস্ট্ৰেৰিয়ালৈ গ'ল আৰু তাৰ বিশ্ব-বিদ্যালসমূহত ভৰ্তি হ'ল। যোৱা বছৰত এই সংখ্যা হ'ল ২৫০০ জন। আগলৈ এই সম্পৰ্ক - সঁচাকৈয়েই সাঙীত নলৰা হ'ব বুলি আমি আশা কৰিব পাৰোঁ।

সময়ৰ শৰ

ভুধৰ সদায় তাৰ আঁচনিত সফল হৈছিল, কিন্তু মহীধৰৰ কোনো আঁচনিয়েই সফল নহৈছিল। আৰু সেইহে—মহীধৰৰ মনত হতাশা-নিৰাশাই সুঁতি কাটিছিল।

এই কথাত কথাই কথাই কিছুমান বন্ধুৱে মহীধৰক কৈছিল, "ভূধৰৰ মাজত যি আগ্ৰহ আছে, তোমাৰ মাজত নাই। কামৰ সাফল্যৰ গুৰিকথা হ'ল—আগ্ৰহ।"

এদিন ভূধৰ-মহীধৰহঁতৰ গাঁৱলৈ সাধু এজন আহিল। সাধুজনে উপদেশ আদি অমৃত বিলোৱাৰ লগে লগে নানান অলৌকিক কাণ্ড-কাৰ্যনাও দেখুৱাই থাকিল আৰু গাঁৱৰ ৰাইজে সাধুক নানান ধৰণে দান-দক্ষিণা দি থাকিল।

ভূধৰে এদিন তাৰ বন্ধুহঁতক ক'লে, "এই সাধু আচলতে— অসাধু যেনেই লাগিছে। এওঁ যদি প্ৰকৃত সাধু, তেনেহ'লে গাঁৱলীয়াক এনেকৈ শুহিব লাগেনে?"

বন্ধুহঁতে ক'লে, "কিন্তু--সাধু যে অসাধু—সেই কথাৰ কিবা দেখ দেখ প্ৰমাণ তুমি দিব পাৰিবানে?"

ভূধৰে সাধুলৈ সন্দেহ কৰাৰ দৰে মহীধৰেও সন্দেহ কৰিলে যে এই সাধু আচলতে ধান্দাবাজ। মহীধৰে সাধুৰ এইবোৰ 'শিয়ালৰ শিং দেখুৱা' কাণ্ড-কাৰ্যনা ধৰা-পেলাব আৰু সময় থাকোঁতে সাধুক নাম ল'বলৈ ক'ব বুলি খাটাং কৰিলে আৰু এদিন ৰাতিৰ পৰতে এখোজ দুখোজকৈ সাধুলৈ অস্থায়ী আশ্ৰমলৈ গৈ টোপনিয়াই থকা সাধুৰ মুখলৈ চালে। কিছুপৰলৈ চাই থকাৰ পাছত মহীধৰৰ ধাৰণা হ'ল যে এই সাধুৰ দাড়ি-মোচখিনি

ৰাধাকান্ত কলিতা

নকলী। মহীধৰে মেকুৰী খোজেৰে টোপনিত থকা সাধুৰ কাষ চাপি সাধুৰ নকলী দাড়ি-মোচখিনি চোঁত কৰে টানি আনি সাধুৰে টলকিবলৈ নৌপাওঁতেই থালী ভগা জুয়ে খেদা মানুহৰ দৰে দৌৰি পলাই গ'ল।

পাছ দিনা সাধুৰে আন দিনাৰ দৰেই যেতিয়া ৰাইজক উপদেশামৃত বিলাই আছিল, তেতিয়া মহীধৰে মোনা এটা জোকাৰি চিঞৰি চিঞৰি কৈ থাকিল, "ৰাইজ, এই ভণ্ড সাধুক আপোনালোকে বিশ্বাস নকৰিব। কালি ৰাতি মই ইয়াৰ নকলী দাড়ি-মোচখিনি লৈ আহিছোঁ।"

ৰাইজে মহীধৰক ক'লে, "তুমি কি আনিছা আমি নাজানো ; পিছে—সাধুবাবাৰ দাড়ি-মোচ দেখোন তেওঁৰ দাড়ি-মোচতে আছে !"

মহীধৰে সাধুলৈ তীব্ৰ দৃষ্টিৰে চালে। হয়, দাড়ি-মোচ — আগৰদৰেই আছে। মহীধৰে সাধুক ক'লে, "আকৌ নকলী দাড়ি-মোচ লগাই আহিলাইনে ?"

তেতিয়া সাধুৰে তাক সাধুক ঠেলা নহয়, ঠেলা মাৰি কৈ উঠিল, "তুমি দেখিছোঁ একদম অগিয়ানী। তোমাৰ পাপ—মই খেমিলেও ঈশ্বৰে নেখেমিব। পিছে যাতে ঘোৰ পাপত, নপৰা—তাৰ কাৰণেহে তোমাক ঠেলিলোঁ।



নিশ্চয় স্বয়ং চৈতানৰপপা পৰামৰ্শ পাই মোৰ মুখত হাত দিবলৈ সাহস কৰিছা। কিন্তু জানি থোৱা, মোৰ এডাল দাড়ি—আনকি ছুলেও ঈশ্বৰে অভিশাপ দিব, ছুঁয়োতাৰ সৰ্বনাশ হ'ব। মোৰ দাড়ি-মোচ নকলী নহয়, আচলী। যি কি নহওক—তুমি যি নকলী দাড়ি-মোচ লৈ আহিছা—মোক দেখুৱা, চাওঁ—সেয়ানো কি ?"

মহীধৰে তৎক্ষণাৎ তাৰ মোনাটোৰ ভিতৰত হাত ভৰাই দিলে নকলী দাড়ি-মোচাখিনি উলিয়াই আনিবলৈ ; কিন্তু—কিন্তু—কথা আচৰিতেই, দাড়ি-মোচাখিনি মোনাটোৰ ভিতৰত বিচাৰি নাপালে।



মহীধৰে চিঞৰি উঠি ক'লে, "এই দগাবাজ সাধুৱে জাদু কৰিলে—জাদুৰে মোনাত থকা মাসখিনি ই কেনেবাকৈ নোহোৱা কৰিলে!"

কিন্তু ৰাইজ মহীধৰৰ কথাত চিকুটমানো পতিয়ন নোযোৱা দেখি মহীধৰ তলমূৰ হৈ তাৰপৰা গুচি গ'ল।

বাটত ভূধৰৰ সৈতে ভেটাভেটি। মহীধৰৰ বিভ্ৰান্ত অৱস্থা দেখি ভূধৰে তাক সুধিলে, "মহী, তোমাৰ কি হ'ল। ইমান যে — একেবাৰে আংমৰাটো যেনেহে লাগিছে যে—!"

তেতিয়া মহীধৰে ভূধৰক সকলো কথা ক'লে। ভূধৰে মন্তব্য কৰিলে, "ই সাধুবেটা যে ভণ্ড—তাত কোনো সন্দেহই নাই। ই ধান্দাবাজ, ধোখাবাজ। সি জাদুকৰ বুলিহে এইবাৰলৈ সাৰি গ'ল। কিন্তু মই তাক শুদাই নেৰিছোঁ।"

মহীধৰে সুধিলে. "কি কৰিবা?"

"এই সাধুৰ বিষয়ে ভালেখিনি খা-খবৰ মই গোটালোঁ। তাৰ আচল নাম হ'ল—জগ্‌গা, তাৰ ঘৰ—মাধৱপুৰত—সি কেতিয়াবা সাধু হয়, কেতিয়াবা চোৰ—।"

মহীধৰে আচৰিত মানি সুধিলে, "এইবোৰ কথা—কেনেকৈ জানিলা?"

"শুনা, কোনো কাম খৰখেদাকৈ কৰিব নাপায়, লাহে-ধীৰে কৰিব লাগে, তেতিয়াহে কথাৰ ওৰ বিচাৰি পোৱা যায়।"

মহীধৰে কৈ উঠিল, "তেনেহ'লে—আৰুনো কি লাগিছে? এতিয়াই ব'লা, তাৰ ভেদ ৰাইজৰ আগত ভালকৈ ভাঙোগৈ ব'লা।"

কিন্তু ভূধৰ মহীধৰৰ কথাত একমত নহ'ল। ভূধৰে ক'লে, "মহী, খৰধৰকৈ কৰা কাম—খঁৰা-মূৰা হোৱাৰ আশংকা। খণ্ডত নিজৰ মঙহ নিজে খোৱাৰ অৰ্থ নাই! নাভাবি-নিচিন্তি যদি কিবা কৰোঁ, সি সাধুৱে আমাৰ গাঁও এৰি আন



কোনোবাখন গাঁৱলৈ যাব, আৰু একেই-বোৰ কাম কৰি থাকিব। তাৰে আমাৰ কি লাভ—? তাতকৈ—তাক যদি আমি এজন প্ৰকৃত সাধুলৈ পৰিৱৰ্তিত কৰিব পাৰোঁ—কেৱল আমাৰেই নহয়, দেশৰ-দহৰ লাভ নহয়নে বাৰু?"

পাছদিনা ভূধৰ সাধুৰ কায চাপিল, আৰু সাধুৰ প্ৰকৃত পৰিচয়ৰ কথাখিনি ক'লে। শুনি—সাধুৰূপী জগ্‌গা জিঁজিৰি মূৰ খোৱা যেন হৈ পৰিল।

ভূধৰে সাধুক ক'লে, "ভয় খাব নালাগে। মই জনাখিনি কাকো নকওঁ। যিখিনি ধন আমাৰ গাঁৱৰ ৰাইজৰপৰা সৰকাইছা, সেইখিনি আমাৰ গাঁৱৰ নামঘৰলৈ দান হিচাপে দিবা—আৰু সেইদিনাই তুমি তোমাৰ গাঁৱলৈ উভতি গৈ সৎ জীৱন যাপিবৰ পথ ল'বা।"

সাধুৰূপী জগ্‌গাই ভূধৰ কথা মানি ল'লে, আৰু গাঁৱৰ ৰাইজৰ ধনখিনি গাঁৱৰ নামঘৰলৈ দান হিচাপে দিলে। সাধুৰ এই মহৎ কামৰ ফলত ৰাইজে সাধুলৈ শলাগৰ শৰাই আগ বঢ়ালে আৰু পাছদিনা উপজি পুৱাতে সাধুৰূপী জগ্‌গাই তাৰ গাঁৱলৈ বুলি খোজ ল'লে।

ভূধৰৰ কামৰ পদ্ধতি দেখি মহীধৰে ভাবিলে যে সি-ও আগলৈ এনে উপায়েৰেই কাম কৰিব, ঢেৰ ভাবি-গুণি তেহে কিবা কামত হাত দিব। আৰু—অতি কম দিনতেই সি তাৰ মনে খোৱা কাম এটি পালেও।

মহীধৰৰ মাকে নিতৌ নৈলৈ গৈ কলহ ভৰাই খোৱাপানী কঢ়িয়াই আনিছিল। এদিন তেনেকৈ পানী কঢ়িয়াই আনোতে তেওঁ উজুটি খাই পৰি গ'ল। তেতিয়া মাকে মহীধৰক চুবুৰীয়া গংগাৰামৰপৰা একলহ খোৱাপানী খুজি আনিবলৈ ক'লে। মহীধৰে এই কথা গংগাৰামক ক'বলৈ যাওঁতে এটা খালী হৈ থকা কলহ হাতত লৈ গংগাৰাম বিপৰীতফালৰপৰা



ওলালহি তাত। গংগাৰামৰ মুখ-চকুত আনন্দৰ আভাস ফুটি ওলাইছিল আৰু মহীধৰে একো ক'বলৈ নৌ পাওঁতেই তাৰ কাষেদিয়েই গুচি গৈছিল।

তেতিয়া মহীধৰ গংগাৰ পিছে পিছে গৈ থাকিল। অলপ পাছত গংগাৰামে তাৰ ঘৰ পাই ঘৰৰ ভিতৰলৈ সোমাই দুৱাৰ বন্ধ কৰি দিলে। তেতিয়া—দুৱাৰত থকা বিন্ধাৰ মাজেদি মহীধৰে জুমি চাবলৈ ধৰিলে।

আচৰিত কথা! যিটো ঘৰক ইমান দিন ধৰি—খালী হৈ পৰি থকা ঘৰ বুলি ভাবিছিল—সেইটো ঘৰ তেলেৰে ভৰ্তি হৈ আছিল। গংগাৰামে এটা ডাঙৰ টিনৰপৰা তেলজাতীয় পাদৰ্থ কলহ এটাত ঢালিলে, আৰু তাৰ পাছত এপাট কাঠৰ হেতাৰে সেই পদাৰ্থ কলহটোৰ ভিতৰত ঘোদালি মিহলাই পুনৰ টিনটোত ঢালি টিনৰ মুখ বন্ধ কৰি টিনটোৰে সৈতে দুৱাৰ খুলি ঘৰৰ বাহিৰলৈ ওলাই আহিল।

মহীধৰো গংগাৰামৰ পিছে পিছে গৈ থাকিল। গংগাৰাম—পূৰ্ণচন্দ্ৰ নামৰ গেলামালৰ বেপাৰীৰ ওচৰলৈ গ'ল, আৰু সেই ভেজাল মিহলোৱা খোৱাতেল পূৰ্ণচন্দ্ৰক দিলে।

মহীধৰ দৌৰি দৌৰি ভূধৰৰ ওচৰলৈ গ'ল, আৰু একে উশাহৰে সকলোখিনি কথা ক'লে। লগতে মহীধৰে ক'লে "এইবাৰ মই সাৰধান হ'লোঁ। মই খৰখেদাকৈ একো নকৰা হ'লোঁ। তেলৰ ভেজাল ধৰা পেলাম, আৰু পূৰ্ণচন্দ্ৰ বেপাৰীৰ ভেজাল তেলৰ বেপাৰৰ কথাও ৰাইজক ক'ম, আৰু তাৰ মুখা খুলিম।"

মহীধৰৰ মুখৰ কথা নৌশেষ হওঁতেই ভূধৰ তাৰপৰা দৌৰি দৌৰি গুচি গ'ল, আৰু গাঁৱৰ ৰাইজক এঠাইত গোট খুৱাই পূৰ্ণচন্দ্ৰ আৰু গংগাৰামৰ ভেজাল তেলৰ কাৰবাৰ কথা বুজাই ক'লে।

পাছত—ৰাইজৰ আগত পূৰ্ণচন্দ্ৰ

বেপাৰীয়ে ভেজাল তেলৰ কাৰবাৰৰ কথা সম্পূৰ্ণ অস্বীকাৰ কৰাত ভূধৰে গংগাৰামৰ সেই ঘৰটোৰপৰা ভেজাল দিয়া সেই পাত্ৰটো, অৰ্থাৎ কলহটো, আৰু আন এটা টেমাত থকা ভেজালৰ বস্তু এখিনি লৈ আহিলগৈ, আৰু তেতিয়া সকলো ভেজাল কামৰ ভেজাল বস্তুৰ ভেজাল কাৰবাৰৰ কথা ফটফটীয়া হৈ পৰিল।

পূৰ্ণচন্দ্ৰই কিন্তু তেলত ভেজালৰ কথা সমূলি নাজানিছিল। সেইহে। ঘটনাত আচৰিত হৈ পৰা পূৰ্ণচন্দ্ৰই গংগাৰামক তাৰ সুনাম নষ্ট কৰাৰ বাবে ককৰ্থনা কৰি থাকিল।

আৰু ৰাইজে প্ৰশংসা কৰি থাকিল ভূধৰৰ। ভূধৰে যে ৰাইজক ভেজাল তেল খোৱাৰপৰা ৰক্ষা কৰিলে—সেই কথা ৰাইজে সহস্ৰমুখেৰে কৈ থাকিল।

কিন্তু ভূধৰক ইমানকৈ প্ৰশংসা কৰাত মহীধৰে বাৰুকৈ বেয়া পালে। পাছত মহীধৰ ভূধৰৰ ঘৰলৈ গ'ল আৰু ক'লে, “ভূধৰ, খৰধৰ নকৰাকৈ — ভাবি-চিন্তি ধীৰে-শাঁতে কাম কৰিবলৈ — তুমিয়েই বাৰু মোক কোৱা নাছিলানে ? কিন্তু— মোৰপৰা শুনামাত্ৰেই তুমি তেন্তে খৰধৰকৈ এই কামটো কিয় কৰি পেলালাহে ? মই যে ঘটনাটো ধৰা পেলালোঁ—ৰাইজে নাজানিলেই। তোমাৰ নাম।”

মহীধৰৰ কথা শুনি। মুচুককৈ হাঁহি মাৰি ভূধৰে ক'লে, “ওঁ, হওঁতে—ঠিকেই কৈছা তুমি। কিন্তু — সময়ৰ শৰ যে সময়তেই মাৰিব লাগে—নহ'লে যে তাৰে কোনো কাম নহয়—সেই কথাটোও কিন্তু সঠিক-ঠিক। হয়নে নহয় — তুমিয়েই ভাবাচোন—?”

এই ঘটনাৰ পৰা শিকনি লৈ আগলৈ মহীধৰেও সময়ৰ শৰ সময়তে মাৰিবলৈ শিকি—আৰু মাৰিব পৰা হৈ জীৱনত বিজয়ী হ'ব পাৰিছিল।



লগনৰ লৰ্টি-ঘৰ্টি

জমিদাৰ জয়েন্দ্ৰৰ সুযোগ্য দেৱান নাগেন্দ্ৰ আছিল জমিদাৰ ভাণ্ডৰীয়াৰ পৰমবিশ্বাসী দেৱান। কিন্তু এই বিশ্বাসৰ আঁৰত নাগেন্দ্ৰ দেৱানে কেৱল হালোৱা-জালোৱাইতৰপৰাই নহয়, আনকি জমিদাৰৰ খাছ কৰ্মচাৰীসকলৰপৰাও ভেটি খাইছিল। টকা-পইচাৰ তো কথাই নাই, আনকি সোণ-ৰূপও পাইছিল আৰু লৈছিল।

নাগেন্দ্ৰ দেৱানৰ জন্ম আছিল কৰ্কট লগ্নত। সেইহে, তেওঁৰ জন্মদিনত কৰ্মচাৰীইতে নাগেন্দ্ৰলৈ সৰু এটি সোণৰ কেঁকোৰা উপহাৰ হিচাপে দিলে।

নাগেন্দ্ৰই উপহাৰটি হাতত লৈ ঘূৰাই-ফিৰাই চালে, আৰু সোণৰ কেঁকোৰাটিৰ প্ৰশংসা কৰাৰ অন্তত ক'লে, "এই কৰ্কট লগনত জনম লোৱাজনক সকলোটিয়েই ভাল পায়, আৰু এই কথা—লগনৰহে মহত্ত্ব। ভাল হ'ল যে সময়ত কথাটো মনত পৰিল—তোমালোকক ক'বৈই বাৰু—এতিয়াই কৈ থওঁ। অহা মাহত মোৰ তেওঁৰ—মানে—মোৰ পৰিবাৰৰ জন্মদিন। কিন্তু—তেওঁৰ জনম-লগন হ'ল—মকৰ। আৰু মকৰ মানে যে মগৰ—জানাই নিশ্চয়।"

সেই ফালেদি পৈ থকা জয়েন্দ্ৰ জমিদাৰে নাগেন্দ্ৰ দেৱানৰ কথাখিনি শুনি ৰৈ দিলে আৰু ঘৰৰ ভিতৰলৈ সোমাই অহি দেৱানক কৈ দিলে, "মোৰ জন্মদিনৰো বৰ বেছি দেৰি নাই। অহা পূৰ্ণিমাৰ দিনা। আৰু—মোৰ কিন্তু—কি বোলেনে—সিংহৰাশিত জন্ম। কথাটো নাপাহৰে যেন।"



ৰূপধৰৰ যাত্ৰা

১০

[আগৰ কথা : পৈয়াছিয়াদেশৰ মহাৰাজ বুদ্ধিমানে ৰূপধৰলৈ যি আতিথ্য প্ৰদৰ্শন কৰিছিল, সেই আতিথ্য আছিল সৰল অন্তৰৰ সহজ আতিথ্য। কিন্তু সেই দেশৰ ৰাজকোঁৱৰৰ বন্ধু কিছুমানে এই নিৰ্মল আতিথ্যতো কিঞ্চিত ঢেকা পেলাইছিল, যদিও সৌভাগক্ৰমে মহাৰাজে সেই বিসদৃশ পৰিস্থিতি চম্ভালি লৈছিল। কিন্তু অন্ধ গায়কে যেতিয়া 'কাঠৰ ঘোঁৰাৰ গীত-মাত' গাই থাকিল, তেতিয়া ৰূপধৰে নিজক চম্ভালিব নোৱাৰি উচুপি থাকিল। মহাৰাজে অবাক মানি ৰূপধৰক সুধিলে যে ট্ৰয় যুদ্ধত ৰূপধৰৰ কোনোবা নিহত হ'লনে কি। আৰু তাৰ পাছত···]

মহাৰাজ বুদ্ধিমানৰ প্ৰশ্নৰ উত্তৰত ৰূপধৰে তেওঁৰ বৃত্তান্ত সবিস্তাৰে ক'লে। ট্ৰয় যুদ্ধৰ অন্তত ৰূপধৰৰ কিখিনি আলৈ-বিলৈ হ'ল—সেই কথাও বিস্তৃতভাবে ক'লে ৰূপধৰে আৰু সেইবোৰ গাৰ নোম ডাল ডাল হৈ উঠা ভয়াবহ-ভয়ংকৰ ঘটনাৱলী শুনি তাত উপস্থিত থকা সকলোটি এক মহা বিস্ময়ত আৰু অপাৰ বেদনাত স্তব্ধ হৈ পৰিল।

বহু সময়ৰ স্তব্ধতাৰ অন্তত মহাৰাজে কৈ উঠিল, "মই এওঁক সামান্য ধন-সোণ উপঢৌকন হিচাপে দি পঠাম। আশা কৰোঁ—ইয়াত উপস্থিত থকা সকলোটিয়েই তেওঁলোকৰ সাধ্যানুসাৰ আমাৰ মহান অতিথিগৰাকীলৈ উপহাৰ-উপঢৌকন আগ বঢ়াব।"

পাছদিনা— ধলপুৱাৰেপৰাই সাগৰ-

'স্বদেশতো বিপদৰ ঘূঘূয়াত'



তীৰত উপহাৰ-উপঢৌকনৰ সোঁত প্ৰৱাহিত হৈ থাকিল আৰু স্বয়ং মহাৰাজ বুদ্ধিমানে সেইবোৰ ৰূপধৰৰ স্বদেশযাত্ৰাৰ নিমিত্তে নঙৰ কৰি থকা বিৰাট নাওখনত বোজাই কৰাৰ কাৰ্য্য পৰিদৰ্শন কৰি থাকিল।

তাৰ পাছত—যেতিয়া ৰূপধৰক লৈ নাও এৰাৰ সময় হ'ল—তেতিয়া ৰূপধৰে সাগৰতীৰত সমৱেত হোৱা অসংখ্য পৈয়াছিয়াবাসীক সম্বোধি কৈ থাকিল: "হে সজ্জন পৈয়াছিয়াদেশবাসীসকল! মোৰ মহা উপকাৰকাৰী বন্ধুসকল, হে পৈয়াছিয়াদেশৰ মহান মহাৰাজ-মহাৰাণী-ৰাজকুঁৱৰী! আপোনাসৱলৈ মোৰ কৃতজ্ঞতাৰ অন্ত নাই। আপোনালোকে মোক যেনেকৈ আদৰ-যত্ন কৰিলে, তেনেহেন আদৰ-সাদৰ মই— আনকি মোৰ স্বদেশতো নাপাম যে—সেই কথাত মোৰ সন্দেহ নাই। আপোনালোকক মই মোৰ জীৱনকাললৈকে মুহূৰ্ত্তৰ বাবে নাপাহৰোঁ। স্বৰ্গস্থ দেৱতাসকলে আপোনালোকক আশীৰ্বাদ কৰক, আনন্দদান কৰক, বিজয়প্ৰদান কৰক, বৈভৱ প্ৰদান কৰক। আপোনালোকৰ মহান দেশ যে সৰ্বসংকটত উদ্ধাৰিত হ'ব — সেই কথা ধ্ৰুৱ।"

ৰূপধৰৰ বিদায়বাণী শুনি সকলোটিয়েই হৰ্ষধনি কৰি উঠিল আৰু লগে লগে ৰূপধৰ নাওখনে, আৰু লগতে অন্যান্য নাওবোৰেও সেই বিশাল-বিস্তীৰ্ণ সমুদ্ৰৰ বুকুলৈ আগ বাঢ়িল।

কিছু সময়ৰ অন্তত — যেতিয়া সাগৰতীৰ আৰু সাগৰতীৰস্থ মানুহখিনিও আৰু নেদেখা হ'ল, তেতিয়া ৰূপধৰ লাহে লাহে টোপনি-গতুৱা হৈ পৰিল, আৰু এসময়ত — একোকে ক'ৰ নোৱৰা হৈ নিশ্চিন্তমনে টোপনিত লাল-কাল দিলে।

অনুকুল বায়ু পাই নাওবোৰ প্ৰায় বায়ুবেগেৰেই চলি থাকিল আৰু চাওঁতে চাওঁতে সেই নাওবোৰে সাগৰৰ বুকু

ফালি ফালি গৈ গৈ গভীৰ নিদ্ৰাচ্ছন্ন ৰূপধৰক লৈ এসময়ত ইথাকাদেশৰ সাগৰতীৰত ৰ'লগৈ।

ইথাকাদেশৰ সাগৰতীৰ আছিল বিশেষ ধৰণৰ সাগৰতীৰ, য'ত নাওবোৰে নঙৰ কৰাৰ আৱশ্যক নহৈছিল। ইথাকাৰ সাগৰতীৰৰ এই অঞ্চল গছে-বনেও ভৰপূৰ আৰু এই গছ-বনে ভৰপূৰ সাগৰতীৰত সুগভীৰ টোপনিত প্ৰায় অচেতন হৈ থকা ৰূপধৰক লৈ সেই নাওবোৰ প্ৰায় নিশৰদে ৰ'লহি।

ৰূপধৰক টোপনিৰপৰা জাগোৱাৰ চেষ্টা কৰা হ'ল, কিন্তু ৰূপধৰ একোপধোই নাজাগিল।

তেতিয়া—নাৱৰীয়াহঁতে আৰু লগতে মহাৰাজ বুদ্ধিমানে ৰূপধৰৰ নিৰপত্তাৰ কাৰণে ৰূপধৰৰ সৈতে পঠোৱা ৰাজ-প্ৰহৰী তথা সৈন্যহঁতে নাৱত থকা বিচনাখনৰে সৈতে নিদ্ৰিত অচেতন ৰূপধৰক দাঙি আনি এজোপা বিৰাট বিৰিখৰ তলত পুনৰ শোৱাই দিলে।

এই বৃক্ষজোপাৰ ওচৰত আছিল-এক বিৰাট গুহা, আৰু বৃক্ষৰ ডালত আছিল এক বিৰাট আকৃতিৰ মৌ-বাহ। গুহাটোৰ চাৰিওফালে আছিল ওখ ওখ স্তম্ভ। এই গুহাত কেৱল মানুহেই নহয়,



কোৱা হৈছিল যে—আনকি দেৱকন্যাসকলো মাজে-মধ্যে এই গুহালৈ জিৰণি ল'বলৈ আহিছিল।

এই বিশাল গুহাৰ কাষত থকা বিৰাট বৃক্ষজোপাৰ তলত নিদ্ৰামগ্ন ৰূপধৰক শোৱাই থৈ—পৈয়াছিয়া দেশৰ সুদক্ষ নাৱৰীয়াহঁতে নাওবোৰৰে সৈতে পৈয়াছিয়া দেশলৈ উভতি গ'ল।

ৰূপধৰে যেতিয়া টোপনিৰপৰা সাৰ পালে, তেতিয়া চাৰিওফালে ডাঠ কুঁৱলী মাৰিলে। ঘাইকৈ—কুঁৱলীৰ কাৰণেই—ৰূপধৰে বুজি নাপালে যে তেওঁ এতিয়া ক'ত আছে। তেওঁ যে নাৱত নাই,



নাওবিলাকো যে তাত নাই, সেই কথা বুজাত তেওঁৰ বৰ পলম নহ'ল। তেওঁ ভীত হৈ উঠিল আৰু ভাবি থাকিল: পুনৰ কিবাখন বিপাঙতেহে পৰিলৈঁনে? এই ঠাই—কোন ঠাই? এই ঠাইতে নৰখাদকহঁত আছেনে? মহাৰাজ বুদ্ধিমানে মোক আন্তৰিকতাৰে সহায় কৰিও এনেহেন এক অজান ঠাইত কিয় এৰি থৈ যোৱাৰ আদেশ দিলে? আৰু যদিহে তেওঁ এনেকুৱা আদেশ দিয়া নাছিল—নাৱৰীয়াহঁত বা প্ৰহৰীহঁতে কিয় এনে কাম কৰিলে? মহাৰাজ বুদ্ধিমানেই বাৰু সিহঁতলৈ এনেকুৱা নিৰ্দেশ দিছিলনে?

উপহাৰ-উপঢৌকনৰ বস্তুখিনিলৈ চালে ৰূপধৰে। ঠিকেই আছে। সকলো বস্তু ঠিক ঠিক থৈ গৈছে। এনেতে এজন ভেড়া-ৰখীয়াক তাত দেখা পাই ৰূপধৰ উঠি থিয় হ'ল। কিন্তু ভেড়া-ৰখীয়া নিমিষতে নোহোৱা হোৱাত ভেবা লাগি ইফালে-সিফালে চাই থাকিল। আৰু ঠিক তেতিয়াই তাত দেৱী বুদ্ধিমতী আৱিৰ্ভূতা হ'ল।

দেৱী বুদ্ধিমতীয়ে হাঁহি-উজলা মুখেৰে ৰূপধৰক ক'লে, "তুমি যে বিভ্ৰান্ত হৈছা, কেৱল প্ৰাকৃতিক কুঁৱলীয়েই নহয়, মনৰ কুঁৱলী ভেদ কৰি সঠিককৈ একো নুবুজানেদেখা হৈ পৰিছা, সেই কথা ভাবিহে মই তোমাৰ ওচৰলৈ লৱৰি আহিলোঁ। তুমি বোধকৰোঁ—এই দেশ কোন দেশ—তাকো ঠাৱৰ কৰিব পৰা নাই। শুনা, এইদেশেই তোমাৰ দেশ—ইথাকাদেশ; কিন্তু তথাপি কওঁ, তোমাৰ আলৈ-আহুকালৰ অন্ত পৰিবলৈ আৰু কিছু দেৰি আছে। গতিকে—যথেষ্ট সাৱধান হৈ থাকিবা, পট্‌কৈ আত্ম-পৰিচয় নিদিবা। আত্ম-পৰিচয় দিয়ামাত্ৰেই তোমাৰ বিপদ হ'ব পাৰে, আনকি তোমাৰ প্ৰাণ-সংশয়ও হ'ব পাৰে। তুমি ৰূপধৰ যে ইথাকাদেশ পাইছাহি—সেই কথা কোনেও ঘুণাক্ষৰেও



গম পাব নালাগে।"

"হয়নে—!"

বিস্মিত ৰূপধৰে কৈ উঠিল: এয়েহে মোৰ সপোনৰ মোৰ মৰমৰ ইথকাদেশখন ? মই সপোন দেখা নাই নহয় ?"

"শুনা, তুমি কিজানি মোৰ কথাতো পূৰাপূৰিকৈ পতিয়ন নাযাবা। আৰু— তোমাৰ এই মনোভাৱ—সম্ভৱতে তোমাৰ সহায়কেই হৈছে, তুমি সাধাৰণ মানুহৰ দৰে ইমান দিনৰ অন্তত দেশ পায়েই পত্নী পুত্ৰক চাবলৈ আকুল লৈ লৰ ধৰা নাই যে—তোমাৰ পক্ষে মংগলেই হৈছে ; যদিও তোমাৰ পতিব্ৰতা পত্নী আৰু পিতৃভক্ত পুত্ৰ তোমাৰ কথা ভাবি ভাবি দিনে-নিশাই হাহাকাৰ কৰা হৈছে।— মই প্ৰথমেই তোমাক তোমাৰ দেশখন দেখুৱাওঁ।" এই বুলি কৈয়েই বুদ্ধিমতী দেৱীয়ে সেই ডাঠ কুঁৱলী মন্ত্ৰবলেৰে নোহোৱা কৰি পেলালে।

তেতিয়া ৰূপধৰে স্বদেশৰ ৰূপ দেখা পালে আৰু বিমোহিত ৰূপধৰে সকলো দুখ-কষ্টৰ কথা মুহূৰ্ততে পাহৰি পেলালে।

ইতিমধ্যে দেৱী বুদ্ধিমতী সেই প্ৰকাণ্ড গুহাটোৰ ভিতৰলৈ সোমাই গ'ল, আৰু তেওঁ ৰূপধৰৰ উপহাৰ-উপঢৌকনৰ বস্তু-সামগ্ৰীবোৰো গুহাৰ ভিতৰলৈ লৈ গ'ল। আৰু তাৰ পাছত গুহাৰ দুৱাৰমুখ বন্ধ কৰি দুয়ো সেই বিৰাট গছজোপাৰ তলত ৰহি কথা পাতিথাকিল।

দেৱী বুদ্ধিমতীয়ে ৰূপধৰক ক'লে, "ৰূপধৰ. যোৱা তিনি বছৰ ধৰি তোমাৰ গৃহত কিছুমান দুষ্ট মানুহৰ আগমন হৈছে। সিহঁতে তোমাৰ গৃহতে খোৱা-বোৱা কৰিছে, আৰু তোমাৰ পত্নীকো গ্ৰাস কৰিবলৈ চেষ্টা চলোৱা হৈছে। এতিয়া— ইহঁতকেইটাক তুমিয়েই পোনাবা।"

ৰূপধৰে ক'লে, "মা বুদ্ধিমতী, তোমাৰ কৃপা পাওঁ যদি—দুষ্টবিলাকক অৱশ্যেই মই সংহাৰ কৰিব পাৰিম। কোৱা, মই



এতিয়াই সিহঁতকেইটাক যমৰ আলহী কৰি পঠাওঁনে?"

"প্ৰথমতে—মই তোমাৰ ৰূপ পৰিৱৰ্তন কৰি দিম, ৰ'বা। এই ৰূপ পৰিৱৰ্তনৰ ফলত তোমাক কোনেও চিনি নাপাব, কিন্তু তুমি সকলোটিক চিনি পাবা। তাৰ পাছত তোমাক পঠাম—তোমালোকৰ গাহৰিৰ পালৰ চোৱা-চিঁতা কৰা সেই—নওৰংগী নামৰ বিশ্বস্ত মানুহজনৰ ওচৰলৈ। আৰু ইতিমধ্যে—তোমাক বিচাৰি ৰাৰাজাৰ ওচৰলৈ যোৱা তোমাৰ পুত্ৰ মণিধৰকো তোমাৰ গৃহলৈ ওভোতাই আনিম।" দেৱী বুদ্ধিমতীয়ে ক'লে।

তাৰ পাছত দেৱীয়ে ৰূপধৰৰ ৰূপ পৰিৱৰ্তন কৰিলে ৰূপধৰ একেবাৰে বুঢ়া হৈ গ'ল। বৃদ্ধ ৰূপধৰৰ হাত এডাল লাখুটি আৰু কান্ধত লেতেৰা মোনা এটা দিয়া হ'ল। আৰু তাৰ পাছত দেৱীয়ে ৰূপধৰক কাউৰী-পাহাৰলৈ যাবলৈ নিৰ্দেশ প্ৰদান কৰি তাৰপৰা নোহোৱা হৈ পৰিল।

গৈ গৈ ৰূপধৰে কাউৰী-পাহাৰ পালেগৈ। তাত তেওঁলোকৰ অতি বিশ্বস্ত কামকৰা মানুহ—নওৰংগী পাহাৰৰ নামনিত পঁজা সাজি লৈছিল—আৰু তাতেই বিৰাট সংখ্যক গাহৰিৰ পাল চৰাইছিল। এইবোৰ গাহৰিক যথাযথভাৱে চোৱা-চিঁতা কৰাৰ বাবে কেইটামান কুকুৰো নওৰংগীয়ে পুহিছিল।

আৰু ৰূপধৰবুঢ়াক দেখামাত্ৰেই সেই কুকুৰবিলাকে ৰূপধৰলৈ খেদি আহিছিল আৰু লগে লগে গাহৰিজাকৰ চোৱ-চিঁতা কৰা সেই মানুহজনো—নওৰংগী—লৱৰি আহিল আৰু কুকুৰবিলাকক ৰখালে।"

নওৰংগীয়ে ৰূপধৰক ক'লে, "হাৰে বুঢ়া—আজি বৰকৈ সাৰিলা। নহ'লে তোমাক আজি ইহঁতেই মাৰি পেলালেহেঁতেন। তেতিয়া মই—আমাৰ গৰাকীক যে কি ক'লোহেঁতেন—! অৱশ্যে—বহু বছৰৰপৰা আমাৰ গৰাকীও ইয়াত নাই,

ক'ত যে আছেগৈ — তাৰও পাত্তা নাই।—" নওৰংগীয়ে হুমুনিয়াহ কাঢ়িলে, আৰু পুনৰ ক'লে, "আহাঁ আহাঁ, ঘৰৰ ভিতৰলৈ আহাঁ, আৰু যি আছে খাই লোৱা, আৰু নিজৰ চিনাকি দিয়া।"

বুঢ়া ৰূপধৰে জা-জলপান খাই থাকোঁতে নওৰংগীয়ে তাৰ গৰাকীৰ প্ৰশংসা কৰি বান বাই থাকিল। নওৰংগীয়ে ৰূপধৰক কৈ থাকিল যে তাৰ ভালৰো ভাল গৰাকী—যিজনৰ নাম হ'ল ৰূপধৰ—তেওঁ ট্ৰয়ৰ যুদ্ধলৈ সেই সুদূৰ দেশলৈ ৰাবাজ্বাৰ ওচৰলৈ গৈছে। তাৰ গৰাকী যে এদিন নিশ্চয়েই উভতি আহিবই—সেই কথাত নওৰংগী নিশ্চিত ; কিন্তু মাজত কিছুমান বদমাছ মানুহে যে গৰাকী নোহোৱা ঘৰত থাকি জলা-কলা কৰিছে — সেই কথাটোও নওৰংগীয়ে কথাই কথাই কৈয়েই পেলালে।

বুঢ়া ৰূপধৰে কৈ উঠিল, "হাৰে বলিয়া ক'ৰবাৰ, তোমাৰ গৰাকী আৰু নো কেনেকৈ উভতি আহিব ? তেওঁ নিশ্চয় সেই বিষম যুদ্ধত মৰি ভূত হ'ল।"

"হ'ব্বই নোৱাৰে!"

নওৰংগীয়ে চিঞৰি উঠি ক'লে, "আমাৰ দেৱতাহেন গৰাকী নিশ্চয় ঘূৰি আহিবই। ঈশ্বৰ আছে, আৰু ঈশ্বৰত আমাৰ আছে অটুট বিশ্বাস।"

ঠিক তেতিয়াই ধুমুহাৰে সৈতে দবা-পিটা বৰষুণ দি থাকিল, আৰু বুঢ়া ৰূপধৰে নওৰংগীক কৈ থাকিল ট্ৰয় যুদ্ধৰ জীৱন্ত কাহিনী। সেই কাহিনী শুনি নওৰংগী যেনিবা মন্ত্ৰমুগ্ধ হৈ পৰিল আৰু আনকি বাহিৰত কোবাল বতাহৰে সৈতে ধুমাৰ্জয় ধুমুহা বলি থকাও পাহৰি থাকিল।

ইতিমধ্যে নওৰংগীয়ে ৰূপধৰৰ কাৰণে যথাসম্ভৱ কোমল বিছানা পাৰি দিছিল, আৰু এসময়ত সেই কোমল বিছনাত ৰূপধৰ নিদ্ৰাচ্ছন্ন হৈ পৰিল। [আগলৈ



চান্দ-সম্বাদ

কাণেৰে পঢ়ক!

বিজ্ঞানে আমাক যে ক'ত নি পেলাব, তাৰ উমান লোৱাটোও টান। যেনে আজি এই ইলেকট্ৰনিকছৰ যুগত—কিতাপ ছপাৰ ক্ষেত্ৰত এক অদ্ভুত পৰিৱৰ্তন পৰিলক্ষিত হৈছে। এই পৰিৱৰ্তনক—প্ৰগতি বুলি কোৱা হ'বনে দুৰ্গতি—সেই কথা পাছত ভবা যাব। আপাততঃ আপুনি মন কৰিলে কিছু কিছু কিতাপ চকুৰে নপঢ়ি কাণেৰেও পঢ়িব পাৰে। কিয়নো—কিতাপো এতিয়া গীত-মাতৰ দৰেই ক্যাছেটবদ্ধ হৈ আছে। সম্ভৱতে, সুবিখ্যাত মলয়ালম সাহিত্যিক চি. ৰাধাকৃষ্ণনৰ উপন্যাস এখন অডিঅ' ক্যাছেটৰূপে প্ৰকাশিত হ'ল, আৰু আকাশবাণীয়ে সেই ক্যাছেটোপন্যাস ধাৰাবাহিকভাবে প্ৰচাৰো কৰি আছে। গতিকে—কষ্ট কৰি চকুৰে পঢ়াৰ আৰু কিবা দৰ্কাৰ আছেনে? তথাপি যদি আপুনি তুষ্ট নহয়, চকুৰেই পঢ়িব বিচাৰে, তেনেহ'লে—কামপিউটাৰ পৰ্দাত পঢ়িব পাৰে মাইক্ৰ'ফিল্মত সংৰক্ষিত কিতাপ। হাতত কিতাপ লৈ বাৰ বাৰ হেজাৰ বাৰ পাত পুটিউৱাৰ দিন চমু চাপি আহিছে যেনেই লাগিছে!

কৰ্জা-কাহিনী!

ইংল্যাণ্ডৰ ছাফোক নামৰ ঠাইৰ ডানকান জেবোনছ নামৰ যুৱক এজনৰ ধৰ্ম-বিষয়ক সাহিত্যলৈ বৰ ৰাপ; কিন্তু কিনাৰ কথাতে বাপ্! বাপ! কিয়নো কিনাৰ পইচা-পাতি তাৰ নাই। কিন্তু—নিকিনিৰ বুলি নপঢ়িবনে? গতিকে—ডানকানে পৃথিৱীত পুস্তক সংগ্ৰহৰ প্ৰাচীনতম পন্থাকে ল'লে, কিতাপ বিনা-মূল্যেৰে গোটোৱাত লাগিলে, এঘাৰ বছৰ ধৰি এই পথেৰে ডানকানে ৫২০০০ কিতাপ দ'মাব পাৰিলে। কিন্তু—এদিন কেইখনিমান কিতাপ সৰকাওঁতে ডানকান হাতে-লুটে পুলিচৰ পাতলিত পৰিল আৰু পুলিচে তাৰ 'সংগ্ৰহ'ৰ পৰা ১২০০০ কিতাপ কাঢ়ি লৈ গ'ল আৰু নিলামত বেচিলে। এই প্ৰসংগত আমেৰিকাৰ বিখ্যাত হাস্যৰসিক সাহিত্যিক মাৰ্ক টোৱেইনৰ কথা এযাৰ মনত পৰাটো স্বাভাৱিকেই। এবাৰ এগৰাকী আলহীয়ে টোৱেইনৰ ঘৰত হাজাৰ-বিজাৰ কিতাপ অ'ত ত'ত পৰি থকা দেখি তেওঁক কৈছিল, "কিতাপখিনি আলমাৰি-টালমাৰিত ভৰাই থলেহে ভাল হ'লহেঁতেন।" টোৱেইনে কৈছিল, "কৈছে ঠিকেই, পিছে—কিতাপ কৰ্জাত দিয়াৰ দৰে আলমাৰি কোনেও কৰ্জাত নিদেয়ে নহয়—?"

জন্মদিনৰ 'মিজাৰেব্‌ল্' উপহাৰ

আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিনটন আৰু হিলাৰি ক্লিনটনৰ পুত্ৰীৰ নাম চেল্‌পি। চেল্‌পি—ষোল্ল বছৰীয়া হ'ল। চেল্‌পিৰ জন্মদিনত আমেৰিকাৰ তিনিখন প্ৰাইভেট ৰেডিঅ' প্ৰতিষ্ঠানে তিনিখন মোটৰকাৰ ষোল্ল বছৰীয়া চেল্‌পিজনীলৈ মৰমৰ উপহাৰ হিচাপে পঠালে। তেতিয়া চেল্‌পি ঘৰত নাছিল, আছিল পঢ়াশালিত। তাই ঘৰলৈ উভতি অহাৰ পাছত সেই মোটগাড়ী তিনিখন চেল্‌পিয়ে—আৰু চেল্‌পিৰ পিতৃ-মাতৃয়েও ওভোতাই পঠালে আৰু গধূলি পৰতে জন্মদিনৰ উপহাৰ হিচাপে চেলপিক লৈ গ'ল এক ছিনেমাহললৈ। তাত বিখ্যাত ফৰাছী সাহিত্যিক ভিক্তৰ হুগো-ৰচিত 'লে মিজাৰেব্‌ল্' বোলছবিখন সেই সন্ধিয়াত প্ৰদৰ্শিত হৈ আছিল।



বিকৃতঘ্ন

সংকল্পত অদমনীয় ৰজা বিক্ৰমাদিত্যই পুনৰ সেই গছৰ ডালৰপৰা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ অন্ধকাৰৰ মাজেদি ভূত-পিশাচৰ আবাসস্থল মৰিশালিলৈ বুলি গৈ থাকিল, আৰু মৃতদেহৰ মাজত থকা বেতালে কৈ থাকিল : "হে ৰজা, তোমাৰ এই অধ্যৱসায় নিশ্চয় প্ৰশংসনীয়, কিন্তু দুৰ্বোধ্য। তুমি যে বিজ্ঞ সন্দেহ নাই, কিন্তু কেতিয়াবা বিজ্ঞয়ো অজ্ঞৰ দৰে কাম কৰি পেলায়—লোকজ্ঞানৰ অভাৱত। কেৱল বাহাদুৰিৰ প্ৰকাশত কিবা মহত্ত্ব আছেনে? কথাটো এবাৰ ভাবি চোৱা, আৰু উদাহৰণস্বৰূপে ৰামশাস্ত্ৰী—অনুপমাৰ কাহিনী শুনি শুনি খোজ দিয়া। এই কাহিনীয়ে তোমাক জ্ঞানৰ সমল হয়তো নোযোগাব, কিন্তু ভাবি চোৱাৰ সমল যোগাব।" এই বুলি কৈ বেতালে ৰামশাস্ত্ৰী-অনুপমাৰ কাহিনী কৈ থাকিল :

'বেতাল-কথা'



সৰুৰেপৰাই পঢ়ি পঢ়ি পাণ্ডিত্য অৰ্জা ৰামশাস্ত্ৰীক এদিন তেওঁৰ পিতাকে ক'লে, "তুমি যে ইমান কম বয়সতে পাণ্ডিত্য আৰ্জিব পাৰিলা, বৰ সৌভাগ্যৰ কথা। কিন্তু প্ৰকৃত পাণ্ডিত্য আৰ্জিবলৈ হলে যে পঠিত-অধীত পাণ্ডিত্যৰ ওপৰতো লোকজ্ঞান আৰ্জিব লাগিব—সেই সাৰকথাটো মনত ৰাখিবা। তদুপৰি—নতুনৰ সৃষ্টিতো দক্ষ হ'ব লাগে, নতুন নতুন শব্দ, নতুন নতুন চিন্তাধাৰা ইত্যাদিও সৃষ্টি কৰিবপৰা ক্ষমতা আয়ত্ত কৰিব লাগে, আৰু এইবোৰক লোকজ্ঞানৰ সৈতে মিশ্ৰণ কৰি মানৱ-সমাজৰ মহৎ উপকাৰ কৰিব পৰা মনুষ্য এজন হ'ব লাগে!"

এনেহেন পণ্ডিত ক'ৰবাত কোনোবা আছেনে?" ৰামশাস্ত্ৰীয়ে সুধিলে।

"নাথাকিব কেলেই? আছে। আমাৰ চুবুৰীয়া সুন্দৰগাঁৱত কৃষ্ণস্বামী নামৰ যিগৰাকী মহাপণ্ডিত আছে, তেওঁ কত যে নতুন নতুন চিন্তাধাৰা, নতুন নতুন শব্দসম্ভাৰৰ সৃষ্টি কৰিছে—তাৰ সীমা-সংখ্যা নাই।" পিতাকে ক'লে।

পিতৃৰ কথাত পাছদিনাই ৰামশাস্ত্ৰী পণ্ডিত কৃষ্ণস্বামীৰ ওচৰলৈ গ'ল।

কৃষ্ণস্বামীৰ এজনী মাত্ৰ ছোৱালী আছিল, কিন্তু দেখাত সিমান সুৰূপ নোহোৱাত তাইৰ ঘৰ পতাটো বৰ টান হৈ উঠিছিল কৃষ্ণস্বামীৰ পক্ষে। আৰু সেইহে—কোনোবা যুৱা বয়সীয়া ছাত্ৰৰ অহামাত্ৰেই তেওঁ সেই ছাত্ৰক পোনে পোনেই ঘৰৰ ভিতৰ পোৱাইছিল, তেওঁ আৰু ছোৱালী অনুপমাক সেই ছাত্ৰৰ সেৱা-যত্নত নিযুক্ত কৰিছিল এটা মাত্ৰ আশাৰেহে—যদিহে কেনেবাকৈ কিবা হৈ যায়—মনৰ মিলৰ মৰমৰ-সুঁতি বৈ যায়—আৰু তাইক যদিহে কেনেবাকৈ যোৰা পাতি দিয়া যায়।

কিন্তু ছাত্ৰবিলাকো যে! গুৰুৰ ছোৱালীক প্ৰায় গুৰুমাতৃ বুলিয়েই জ্ঞান



কৰে, ভাও জোৰে। চাই কৃষ্ণস্বামীৰ খং উঠে, কিন্তু মুখেৰে ৰংহে দেখুৱায়। কি কৰিব—এয়া হ’ল পণ্ডিত হোৱাৰ শাস্তি।

ৰামশাস্ত্ৰীক ঘৰত থৈ এদিন কৃষ্ণস্বামী কিবা কামত এক দূৰণিবটীয়া ঠাইলৈ গ’ল। ওভতোঁতে কমেও তিনি দিনমান লাগিব বুলি শুনি ৰামশাস্ত্ৰী যেনিবা অঠাই পানীত পৰিল। তিমানতে কৃষ্ণস্বামী পণ্ডিত গ’লেইগৈ, গতিকে ৰামশাস্ত্ৰীয়ে খং জাৰি থাকিল পণ্ডিত-কন্যা অনুপমাজনীৰ ওপৰত।

ৰামশাস্ত্ৰীয়ে অনুপমাজনীক ক’লে, “ইমান দিন কেনেকৈ মই ইয়াত কটাওঁ? একো একোটা মুহূৰ্ত যেনিবা একো একোটা যুগ!”

“এটা কাম কৰক—” অনুপমাই ক’লে, “দেউতাই যিবোৰ নতুন নতুন শব্দ সৃষ্টি কৰিলে—আপুনি সেই শব্দবোৰ চাই-ভাবি সময় কটাওক।”

“শব্দ চোৰা-শব্দ ভৰাৰ মাজত যে কি আছে—বুজা নাই মই। শব্দ ময়ো ঢেৰ বনাব পাৰোঁ, নতুন নতুন শব্দৰ প্ৰয়োগো কৰিব পাৰোঁ—যি প্ৰয়োগ হয়তো তেওঁ নিজেও কৰা নাই।” ৰামশাস্ত্ৰীয়ে মইবৰ ভাৱেৰে ক’লে।

ৰামশাস্ত্ৰীৰ কথাত অনুপমাই হাঁহি উঠিল আৰু ক’লে, “তেনেহ’লে—এই তিনিটা দিন—আমি দিনে-নিশাই কথা পাতি কটাম। আৰু—আপোনাৰ নিচিনা বিৰাট পণ্ডিতৰ সৈতে কথা পাতি মই ভালো পাম।”

“শুনা, পণ্ডিতে পণ্ডিতৰ সৈতে পাণ্ডিত্য-পূৰ্ণ কথা পাতিহে ভাল পায়, এলা-পেচাৰ লগত নহয়। তোমাৰ যোগ্যতা—আমাৰ সেৱা-যত্নত, বাগ্মিতাত নহয়।” ৰামশাস্ত্ৰীয়ে ৰগত ধৰি ক’লে।

“আপোনাৰ নিচিনা ব্যক্তিৰ ক্ষেত্ৰত প্ৰয়োগ কৰাৰ বাবে ‘বিকৃতগ্ন’ শব্দটো সঠিক যেনেই লাগিছে।” এই কথাষাৰ



কৈয়েই অনুপমা ঘৰৰ ভিতৰলৈ গ'লগৈ।

"বিকৃতঘ্ন!"

ৰামশাস্ত্ৰীয়ে নিজক নিজে কোৱাদি কৈ থাকিল, "বিকৃতঘ্ন শব্দটোৰ—অৰ্থ কি? বহু পৰলৈকে ভাবিও যেতিয়া এই শব্দটোৰ সঠিক অৰ্থ ভাবি উলিয়াব নোৱৰা হ'ল, তেতিয়া ৰামশাস্ত্ৰীয়ে বাধ্যত পৰি অনুপমাক মাতিলে আৰু সুধিলে, "তুমি কৃতঘ্ন বুলি ক'ব খুজিছিলা নহয়?— বিকৃতঘ্ন বুলি ক'লা কিয়? ভুলতেনে? একমাত্ৰ অশিক্ষিত মূৰ্খইহে শব্দক এইদৰে বিকৃত কৰে। কোৱাচোন বাৰু—কৃতঘ্ন মানে কি? আৰু—মোক কিয় তুমি কৃতঘ্ন—বা বিকৃতঘ্ন বুলি ক'লা কোৱাচোন—?"

অলপ থতমত খোৱা যেন হ'ল তাই। তথাপি ক'লে, "যেনে—আপুনি আমাৰ ঘৰলৈ আহিল, মই আপোনাৰ আলপৈচান ধৰিলোঁ, আপুনি দেখাত বৰ সুন্দৰ নোহোৱা সত্বেও আমি আপোনাৰ সৌন্দৰ্য্যৰ, গুণৰ শলাগ ল'লোঁ।—কিন্তু আমাৰ এইবোৰ শলাগনিৰ বিপৰীতে আপুনি কি দিলে? মোৰ বিষয়ে আপুনি এটা শব্দও নক'লে—কেৱল ক'লে যে মোৰ যোগ্যতা সেৱা-যত্নত—বহু। দেখ দেখকৈ আপুনি মোক কিঞ্চিত অপমানেই কৰিলে। গতিকে—আপোনাক বিকৃতঘ্ন বুলি ক'লোঁ।"

"চোৱা, তুমি পুনৰ সেই বিকৃতঘ্ন বুলিহে কৈছা। মই যিমানদূৰ জানো—বিকৃতঘ্ন বোলা কোনো শব্দ নাই। উপকাৰ নমনা বা স্বীকাৰ নকৰা, শলাগ নোলোৱা, লোণ খাই গুণ নোলোৱা, উপকাৰৰ সলনি অপকাৰ কৰাক—কৃতঘ্ন বোলে।" ৰামশাস্ত্ৰীয়ে ৰমৰমালে।

"আপোনাক — কেৱল কৃতঘ্ন বুলি কোৱাটো যথেষ্ট নহয়। চিত্ৰক বিচিত্ৰ বুলি কোৱা হয়, জয়ক বিজয়। তেনেকৈয়েই—আপোনাৰ নিচিনা ব্যক্তিক



যথাৰ্থভাবে প্ৰকাশৰ কাৰণে কৃষ্ণশাস্ত্ৰীয়ে কৃতঘ্নৰ সলনি বিকৃতঘ্ন শব্দৰ উৎপত্তি কৰিলে।" অনুপমাই ক'লে।

এতিয়াহে ৰামশাস্ত্ৰীয়ে বিকৃতঘ্ন শব্দৰ অৰ্থলৈ গভীৰভাবে চিন্তি থাকিল। কিয়নো—এই শব্দটিৰ সৃষ্টিকৰ্তা স্বয়ং পণ্ডিত কৃষ্ণস্বামী। কিন্তু চিন্তা কৰিও যেতিয়া যথাৰ্থ যাথাৰ্থ্য উলিয়াব' নোৱাৰিলে, তেতিয়া অনুপমাক সুধিলে যে বিকৃতঘ্ন শব্দৰ প্ৰকৃত অৰ্থ কি।

"আপুনি নিজক মহাপণ্ডিত বুলি ভাবে, ফিতাহি মাৰে। এই শব্দটিৰ যথাৰ্থ অৰ্থ যে আপোনাৰ নিচিনা ব্যক্তিত খাটে—তাকো নুবুজিছেনে? উপনিষদত কোৱা হৈছে যে মহানতকৈ মহান পণ্ডিতেও নিজক নাজানে। এতিয়া দেখিছোঁ — আপোনাক বিৰূপ নামৰ মানুহজনৰ কথা ক'বই লাগিব। সেই বিৰূপৰ স্বৰূপ যথাৰ্থভাবে প্ৰকাশ বাবে দেউতাই এই শব্দটিৰ উদ্ভৱ কৰিছিল।" অনুপমাই পুনৰ সেই আধা-কেঁচেলুৱা পণ্ডিত ৰামশাস্ত্ৰীক বুজাই ক'লে।

বিৰূপ হ'ল এইখন গাঁৱৰে এজন দুখীয়া মানুহ। হালোৱা। এবাৰ সস্তা দামত খেতিমাটি কোনোবা এজনে বেচিব বুলি কোৱাত বিৰূপে কিনিব খুজিলে। কিন্তু পইচা ক'ত পায়? চুবুৰীয়া ৰামস্বৰূপে বিৰূপক টকা দিলে—কৰ্জা হিচাপে। কিছুদিনৰ পাছত বিৰূপে ৰামস্বৰূপৰ পাওনাখিনি শোধাই দিলে, কিয়নো বিৰূপে তাৰ সেই মাটিত গুপ্তধন পাইছিল। পাছত — ছোৱালীৰ বিয়া উপলক্ষ্যে ৰামস্বৰূপে যেতিয়া বিৰূপৰপৰা ধাৰ হিচাপে কিছুখিনি টকা খুজিলে, তেতিয়া বিৰূপে ৰামস্বৰূপক ক'লে যে—দুখীয়াহঁতে ধাৰ নকৰাই ভাল, ধাৰ নকৰিলেহে দুখীয়াৰ মংগল।

আন এবাৰৰ কথ। শ্যামলালক খেতি-পথাৰত ফেটীয়ে খুটিলে। তেতিয়া ওচৰৰ



খেতি-পথাৰত কাম কৰি থকা শ্যামলালে বিৰূপক কান্ধত কঢ়িয়াই বেজৰ ওচৰলৈ লৈ যাবলৈ কোৱাত বিৰূপে ক'লে যে এটা অতি জৰুৰী কামলৈ ওলাইছে সি, আৰু সি যিহেতু বিপৰীত ফাললৈ যাব, দক্ষিণলৈ—আৰু বেজৰ ঘৰ উত্তৰলৈ—সিহেতু, শ্যামলালক সি কঢ়িয়াই লৈ যাবও নোৱাৰিব — আৰু সেইহেতু সি একোপধ্যে শ্যামলালক সহায় কৰিব নোৱাৰিব।

বিৰূপ গুচি গৈছিল. আৰু অন্য এজনে বেজক-খবৰটো দিয়াত বেজ লৰবি-ধাপৰি আহিছিল, আৰু শ্যামলালৰ জীৱন এইদৰে কথমপি ৰক্ষা পৰিছিল।

এই দুয়োটা ঘটনায়েই কৃষ্ণস্বামীৰ ওচৰত বিৰূপৰ যথাৰ্থ স্বৰূপ উদঙাই ধৰিছিল. আৰু তেওঁ বিৰূপৰ সম্পৰ্কে 'বিকৃতঘ্ন' শব্দটি সৃষ্টি কৰি তাৰ যথাৰ্থ প্ৰয়োগ কৰিছিল।

“বিকৃতঘ্ন কোনো শব্দয়েই নহয়। অশলাগীক কৃতঘ্ন বুলি ক'লেই যথেষ্ট কোৱা হয়।” ৰামশাস্ত্ৰীয়ে ক'লে।

অনুপমাই ক'লে. “মই সহস্ৰবাৰ বুজাই ক'লেও আপুনি বুজিবলৈ যত্ন নকৰিব। আপুনি বৰঞ্চ নিজেই সেই বিৰূপৰ কাষ চাপক আৰু বুজ লওক।”

ৰামশাস্ত্ৰী বিৰূপক বিচাৰি গ'ল। গৈ গৈ এঠাইত কিবা এটা কথাত মানুহে জুম বন্ধা দেখি তাত ৰ'ল. আৰু এজন ওখ-পাখ মানুহক এজন সুধিলে যে ইয়াত কি হৈছে।

ওখ-পাখ মানুহজন এজন পালোৱান—মালযুঁজাৰু। তেওঁ এবাৰ নৈৰ সোঁতত উটি যোৱা এই বাওনা মানুহজনক বঁচাইছিল। পাছত—এটা ঘটনাত পৰি পালোৱানে সামান্য আৰ্থিক সহায়—একুৰিমান টকা কৰ্জা হিচাপে খোজাত মানুহজনে দিবলৈ অস্বীকাৰ কৰিছিল, আৰু লগতে কৈছিল যে—পালোৱানে

কেতিয়াবা তাক নৈত উটি যোৱাৰ পৰা ৰক্ষা কৰিছিল বুলিও তাৰ হেনো মনত পৰা নাই। আৰু লগতে ই মোক যথামূৰ্খ বুলিও কৈছে।

পালোৱানে থোৰতে কোৱা ঘটনাৰ কথা ৰামশাস্ত্ৰীয়ে বুজি পালে, আৰু উমানতে ঠাৱৰ কৰিব পাৰিলে যে—এই বাওনায়েই নিশ্চয় সেই বিকৃতঘ্ন বিৰূপ।

পালোৱানে বাওনাক এৰি দিলে, আৰু থু পেলাই গুচি গ'ল।

তেতিয়া ৰামশাস্ত্ৰীয়ে সুধিলে, "তোমাৰ নাম—বিৰূপনে ?"

"মোৰ নামটো তোমাক কিয় লাগে—বুজা নাই। তুমি যে কোন—তাকো বুজা নাই মই—বুজিবলৈও নিবিচাৰোঁ।" এই বুলি কৈয়েই বিৰূপ তাৰপৰা গুচি গ'ল।

পাছত অনুপমাই সোধাত ৰামশাস্ত্ৰীয়ে এই ঘটনাৰ কথা ভাঙি-পাতিয়েই ক'লে অনুপমাক। ৰামশাস্ত্ৰীয়ে এই কথাও ক'লে, "বিৰূপহেন মানুহক কেৱল কৃতঘ্ন বুলি কোৱাটো বাস্তৱিকতেই যথেষ্ট নহয় বুলিহে কৃষ্ণস্বামীজীয়ে সেই বিকৃতঘ্ন শব্দটোৰ সৃষ্টি কৰিলে। শব্দটোৰ যাথাৰ্থ্য আছে বুলি মানিবই লাগিব।"

"কিন্তু—তথাপি এই শব্দটোৰ সঠিক অৰ্থ—নিহিতাৰ্থ—এতিয়ালৈকো আপুনি



উপলব্ধি কৰিব পৰা নাই যেন লাগিছে।"

ঠিক তেতিয়াই আহি পোৱা অনুপমাৰ পিতাদেউ কৃষ্ণস্বামীয়ে ৰামশাস্ত্ৰীক ক'লে, "পাণ্ডিত্যত যে তুমি অনুপমাৰ সমানো নহয়—এতিয়া নিশ্চয় বুজিলা। গতিকে তাইক বিবাহ কৰাত তোমাৰ আৰু কোনো ধৰণৰ আপত্তি কৰিব নালাগে।"

তেওঁৰ কথা শুনি ৰামশাস্ত্ৰীয়ে নিটাল মাৰিলে। অলপ সময়ৰ অন্তত ৰামশাস্ত্ৰীয়ে অনুপমালৈ চাই ক'লে, "বিকৃতঘ্ন শব্দটোক মই একেবাৰেই সহিব নোৱৰা হৈছোঁ। মোক ক্ষমা কৰা।"

এই কাহিনী কোৱাৰ অন্তত বেতালে

ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্। যিকোনো ভাষাৰ যিকোনো শব্দয়েই নিয়মবদ্ধভাৱে আবদ্ধ। এই নিয়ম—অনতিক্ৰম্য। যিসকল পণ্ডিত নহয়, সিসকলক আমি বিপণ্ডিত বা বিপাণ্ডিত্য বুলি ক'ব পাৰোঁনে? তেনেকৈ—বিকৃতত্ন বোলা এক উদ্ভট শব্দৰ সৃষ্টি কৰি ৰামশাস্ত্ৰীক পীড়িত কৰি তোলাটো—কৃষ্ণস্বামী হেন পণ্ডিত ব্যক্তিৰ বা অনুপমাৰো উচিত কাম হৈছিলনে? মোৰ এই প্ৰশ্নৰ সঠিক উত্তৰ যদি জানিও নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিওফাল হ'ব বুলি জানিবা।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে "অনুপমা আৰু ৰামশাস্ত্ৰীৰ পাণ্ডিত্যৰ তুলনাৰ প্ৰশ্ন নুঠে। পিছে অনুপমাৰ তুলনাত ৰামশাস্ত্ৰীৰ লোকজ্ঞান যে প্ৰায় নাছিলেই—সেই কথা সৰ্বাংশে সত্য। অনুপমাই এই লোকজ্ঞানৰ সহায় লৈহে ৰামশাস্ত্ৰীক বিৰূপক ঘটনা জানিবলৈ উদগাইছিল আৰু তালৈ পঠাইছিল। অনুপমাৰ উদ্দেশ্য আছিল—ৰামশাস্ত্ৰীয়ে তাইৰ সৈতে কৰা নিজৰ ত্ৰুটি-বিচ্যুতিখিনি নিজেই উপলব্ধি কৰক। এতিয়া—ৰামশাস্ত্ৰীয়ে অনুপমাৰপৰা ক্ষমা প্ৰাৰ্থনাৰ কথা। অনুপমাৰ প্ৰতি ৰামশাস্ত্ৰীয়ে যে অজ্ঞানবশতঃ হলেও আচাৰ-আচৰণত যথেষ্ট কঠোৰতা প্ৰদৰ্শন কৰি অন্যায় কৰিছিল, সেই কথাটো ৰামশাস্ত্ৰীয়ে মনে-চিতে উপলব্ধি কৰিহে অনুপমাৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিছিল। কৃতজ্ঞতা প্ৰকাশ যে জীৱনৰে অংগ আৰু ধৰ্ম, বহু ধৰণৰ পাণ্ডিত্য অৰ্জা ৰামশাস্ত্ৰীয়ে কৃতজ্ঞতাহীনতাৰ চিকাৰ হোৱাৰ পাছতহে সেই কথা উপলব্ধি কৰিব পাৰিছিল।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটোৰে সৈতে পুনৰ সেই গছজোপালৈ সাউতকৰে গুচি গ'ল।

[কল্পিত



সাগৰৰ পাৰে পাৰে—৬

জাঞ্জিৰাৰপৰা গোৱালৈ

ৰচন : মীৰা নায়াৰ * চিত্ৰণ : গৌতম সেন



সাৱিত্ৰী নৈৰ মোহনাত অৱস্থিত জাঞ্জিৰা বা জাঞ্জিৰাৰ দক্ষিণ দিশত থকা হৰিহৰেশ্বৰ নামৰ ঠাইডোখৰক 'দেৱগড়' তথা 'ভগৱৎগৃহ' বুলিও অভিহিত কৰা হয়। জাঞ্জিৰা-সন্নিহিত সাগৰপৰীয়া এই মন্দিৰ-সমন্বিত ঠাই দৰাচলতে তীৰ্থস্থান-ৰূপেই পৰিগণিত। মন্দিৰসমূহৰ অন্যতম হ'ল—'কালভৈৰৱ'। জনশ্ৰুতি, কালভৈৰৱৰ মন্দিৰত থকা শিৱমূৰ্তি আপোনা-আপুনিয়েই ৰূপ পৰিগ্ৰহ কৰিছিল। বছৰি এবাৰকৈ এই কাল-ভৈৰৱ নামৰ শিৱমূৰ্তি দোলাৰে কঢ়িয়াই পাহাৰলৈ লৈ যোৱা হয়, যিবোৰ পাহাৰ—ব্ৰহ্মা, বিষ্ণু, মহেশ আৰু পাৰ্বতীৰ নামেৰে নামাংকিত।

হৰিহৰেশ্বৰৰ দক্ষিণত অৱস্থিত ব্যান্‌কট—১৮ শতিকাত যি-ব্যান্‌কট দুৰ্গ আছিল বীৰ মৰাঠা সেনাপতি কান্‌হোজী আংৰেৰ দুৰ্ভেদ্য দুৰ্গ। ১৭৫৫ চনত মৰাঠাসকলে এই দুৰ্গ বৃটিছক সমৰ্পণ কৰিছিল। আৰু তাৰ সলনি ঘেৰিয়া (বিজয়দুৰ্গ) লাভ কৰিছিল। আৰু—এয়ে আছিল পশ্চিম ভাৰতত বৃটিছ আধিপত্যৰ প্ৰথম খোজ।



হৰিহৰেশ্বৰ

কানহোজী আংৰে

বিখ্যাত মৰাঠা দেশপ্ৰেমী নানা ফাড়নবিছ ব্যানকটৰ কেইমাইলমান দক্ষিণত থকা ভেলাছত জন্মগ্ৰহণ কৰিছিল।



নানা ফাড়নবিছ

সুপ্ৰাচীনকালত এই অঞ্চলত পৰিপটন বা পালাই-পাটমে নামৰ এক সামুদ্ৰিক বন্দৰ আছিল। এই বন্দৰ ব্যানকটৰ দক্ষিণদিশত অৱস্থিত আছিল আৰু ১৪—১৬ শতিকালৈকে এই বন্দৰৰপৰা ভূমধ্যসাগৰীয় আৰু পাৰস্য উপসাগৰীয় দেশসমূহৰ সৈতে বাণিজ্য কৰা হৈছিল। পাছত—পৰিপটন বা পলাইপাটমে 'দাভোল' নামেৰে জনাজাত হৈছিল। দাভেলস্থিত এখন অতি মনোমোহা মছজিদ তদানীন্তন মুছলিম স্থাপত্যৰ নিদৰ্শনৰূপে আজিও বিদ্যমান। এই ঠাইত থকা চন্দ্ৰিকাবু মন্দিৰ ৫৫০—৫৭৮ খৃষ্টাব্দৰ মাজত নিৰ্মিত হৈছিল।

এই দাভোলতে আমেৰিকীয় এনৰন কম্প্যানিয়ে বিজুলী-উৎপাদনৰ প্ল্যাণ্ট প্ৰতিষ্ঠা কৰিব ধৰিছে, যি বিজুলী-প্ল্যাণ্টৰ সহায়ত মহাৰাষ্ট্ৰই অধিক পৰিমাণে বিজুলীশক্তিৰ যোগান পাব।

সুন্দৰতো সুন্দৰ কোনকানীয় সাগৰপাৰৰ অন্যতম চহৰ হ'ল গণপতিপুলে। এই **সুৰম্য** চহৰখনক চাৰিওফালৰে-পৰাই কাজুবাদাম, নাৰিকল, আম আৰু ক্যাজুৰিনা বৃক্ষৰ সমদলে আগুৰি আছে। গণপতিপুলে—তাৰ নামানুসাৰে—এক সুৰম্য মন্দিৰসমৃদ্ধ। এই মন্দিৰস্থিত গণপতি তথা গণেশমূৰ্তি আপোনা-আপুনিয়েই গঢ় লৈ উঠিছিল বুলি বিশ্বাস কৰা হয়। এই মন্দিৰ আৰু মূৰ্তি ১০০ বছৰৰ আগতে এক পাহাৰৰ পাদদেশত গঢ় লৈ উঠিছিল।



আলফানজো 'আমৰ ৰজা'



বালগংগাধৰ টিলক

হাজাৰ-বিজাৰ ভক্ত এই মন্দিৰ দৰ্শন কৰিবলৈ আহে। বিশেষকৈ অংগৰকী চতুৰ্থীত বিপুল জন-সমাগম হয়, আৰু সেইদিনা উপবাসৰ অন্তত, চন্দ্ৰোদয়ৰ পাছত, মূৰ্তিৰ আগত মোদক নামৰ মিঠাই, অৰ্ঘ্যৰূপে প্ৰদান কৰা হয়—যি-মিঠাই চাউলৰ গুড়ি, নাৰিকল আৰু গুড়েৰে প্ৰস্তুত কৰা হয়।

এই ঠাইত 'কোক্যাম' নামৰ ৰসাল—টেঙা-মিঠা ফল প্ৰচুৰ পৰিমাণে উৎপাদিত হয়। এই ফলৰ ৰসৰপৰা 'কোক্যাম চৰবৎ' নামৰ যি পানীয় প্ৰস্তুত হয়, সেই পানীয় অতি উৎকৃষ্ট আৰু সৰাতোকৈ জনপ্ৰিয় পানীয়। এই ফল চেপি ৰস উলিয়াই, সেই ৰস দহ দিন ধৰি ৰ'দত শুকুৱাই যি লোণ তৈয়াৰ কৰা হয়, তাৰে অতি জুতিলগা আঞ্জা বনোৱা হয়। এই আঞ্জাৰ সোৱাদ হয় জুতিলগাকৈ টেঙা।

আম—সমগ্ৰ ভাৰততে ওপজে ; কিন্তু ৰত্নগিৰিৰ আলফ্যান্‌জো বা থলুৱা মানুহে কোৱা—'আপুছে' হ'ল—আমৰ ৰজা। ৰত্নগিৰি হ'ল অতি ক্ষুদ্ৰ এটি সামুদ্ৰিক বন্দৰ। ইয়াত লোকমান্য টিলক মেম'ৰিয়াল নামৰ সৌধ আছে, য'ত ভাৰতৰ স্বাধীনতা যোদ্ধা বালগংগাধৰ টিলকৰ জন্ম হৈছিল—১৮৫৬ চনৰ ২৩ জুলাইত।

কোনকান্ অঞ্চলৰ অন্যতম সুৰক্ষিত দুৰ্গ হ'ল বিজয় দুৰ্গ। এই দুৰ্গ ৰত্নগিৰিৰ সামান্য দক্ষিণত অৱস্থিত।

এই দুৰ্গৰ সন্নিহিত সিন্ধুদুৰ্গই মৰাঠাসকলৰ অন্যতম নৌ-দুৰ্গ আছিল। আগতে এই দুৰ্গৰ নাম আছিল 'ঘেৰিয়া'। মৰাঠাবীৰ শিৱাজীয়ে ঘেৰিয়াক বিজয়-দুৰ্গ নামলৈ পৰিৱৰ্তিত কৰিছিল। এই দুৰ্গৰ পশ্চিমদিশৰ প্ৰাচীৰ আজিও অটুট আছে।



বিজয়দুৰ্গ



বড়ে ছগুটি

কিঞ্চিতমান দক্ষিণদিশস্থ মালোৱাঁ এসময়ত বাণিজ্যিক বন্দৰ আছিল। মালোৱাঁৰ পাক-প্ৰণালী অৰ্থাৎ ৰন্ধন-প্ৰণালী অতি সুখ্যাত। মাছৰ আঞ্জা—'ছল্ কাধি' নামৰ কোক্যাম সহযোগে প্ৰস্তুত নাৰিকলজাত বিশেষ মাছৰ আঞ্জা—এক উল্লেখনীয় খাদ্যবস্তু। যি হওক—অতি জনপ্ৰিয় মালোৱাঁ-থালী হ'ল—ভাত, চাপাটি, পুৰি আৰু মঙহৰ আঞ্জাৰ সমাহাৰ—'বড়ে ছগুটি'।

সিন্ধুদুৰ্গক—শিৱাজীয়ে নিজেই নিৰ্মাণ কৰিছিল বুলি জনশ্ৰুতি। শিৱাজীৰ হাতৰ আৰু ভৰিৰ ছাপ থকা চুণশিল শিৱাজী মন্দিৰত আজিও পৰিলক্ষিত হয়। সমগ্ৰ ভাৰতত এই মন্দিৰেই হ'ল শিৱাজীৰ নামলৈ উৎসৰ্গিত। এই মন্দিৰত শিৱাজীৰ মূৰ্তি আছে। ক'লা শিলেৰে এই মূৰ্তি নিৰ্মিত হৈছে।

সাগৰপৰীয়া অন্যতম চহৰ ভেনগুৰ্‌লা—মহাৰাষ্ট্ৰৰ সাগৰপাৰৰ শেষ সীমাত অৱস্থিত। এই ভেনগুৰ্‌লা—গোৱাৰ নিচেই ওচৰত। প্ৰাচীনকালত ভেনগুৰ্‌তা আছিল বাণিজ্যিক ঠাই। ইয়াৰপৰা নাৰিকল, নাৰিকলৰ বাকলিৰ ৰছী, গুৰ আৰু কাজুবাদাম ৰপ্তানি কৰা হৈছিল। এই চহৰখন ১৬৬৪ আৰু ১৮১২ চনত জলদস্যুইতে আক্ৰমণ কৰি ধ্বংস কৰিছিল। এই সৰু চহৰখনক মৰাঠা আৰু মোগলসকলেও দুখ্ৰৈকৈ আক্ৰমণ কৰি ভস্মীভূত কৰিছিল।

ভেনগুৰ্‌লা এখন পাৰ্বত্য চহৰ। কাজুবাদাম, নাৰিকল, কঁঠাল আৰু আম ইয়াত প্ৰচুৰ পৰিমাণে ওপজে। ভেনগুৰ্‌লাৰ বিখ্যাত মন্দিৰদ্বয়ৰ নাম হ'ল যথাক্ৰমে—শ্ৰীদেৱী ছতেৰি মন্দিৰ আৰু ৰামেশ্বৰ মন্দিৰ।

শিৱাজীৰ মূৰ্তি





সিন্ধুদুৰ্গ

© Amrita Bharati, Bharatiya Vidya Bhavan, 1996



বৃত্তি-প্ৰবৃত্তি

মহাৰাজ প্ৰতাপবৰ্মাদেৱৰ ৰাজসভাত বিশেষ বিশেষ ব্যক্তিত্বৰ সমন্বয় ঘটিছিল। এওঁলোকৰ মাজত বৈদ্য ধন্বন্তৰী আছিল অন্যতম, যিগৰাকীয়ে যিকোনো ব্যাধিৰ চিকিৎসাত কদাপি ব্যৰ্থ নহৈছিল। মহাৰাজে, আৰু ৰাজ-পৰিয়ালৰ সকলোটিয়েই আছিল বৈদ্য ধন্বন্তৰীৰ গুণগ্ৰাহী। আন এগৰাকী আছিল-- ৰাজকবি ৰাজেন্দ্ৰ। ৰাজেন্দ্ৰৰ কাব্যসুধাই সকলোকে তৃপ্তি দান কৰাৰ উপৰিও কিছু পাণ্ডিত্য তথা জ্ঞানো প্ৰদান কৰিছিল।

এবাৰ চুবুৰীয়া ৰাজ্যৰপৰা অনেক-সংখ্যক কবি মহাৰাজ প্ৰতাপবৰ্মাৰ ৰামগিৰিৰাজ্যৰ ৰাজসভালৈ আহিল মহাৰাজক কবিতা শুনাবলৈ। কিন্তু ঠিক সেই দিনাই কবি ৰাজেন্দ্ৰ ৰাজসভাত অনুপস্থিত আছিল, তেওঁ আছিল অসুস্থ।

চুবুৰীয়া ৰাজ্যৰ কবিসকলে নিজ নিজ কাব্য মহাৰাজাক শুনালে আৰু তাৰ পাছত ক'লে, "মহাৰাজ, আপোনাৰ সভাকবি কবিন্দ্ৰ ৰাজেন্দ্ৰৰ প্ৰতিভাৰ কথা আমি শুনি আহিছোঁ। তেওঁ যে অসুস্থ হৈ আছে, তাকো জানো। আপোনাৰ সভাত নিশ্চয় অন্য অন্য কবিও আছে। আশা কৰোঁ — তেওঁলোকৰ কবিতা আমাক শুনিবলৈ দিব।"

মহাৰাজৰ আদেশত দুই-তিনিজন কবিয়ে নিজৰ নিজৰ কবিতা পাঠ কৰিলে। কিন্তু তেওঁলোকৰ কবিতাই আনকি মহাৰাজকো তুষ্ট কৰিব নোৱাৰিলে।

হতাশ হৈ পৰা মহাৰাজ প্ৰতাপবৰ্মাদেৱক বৈদ্য ধন্বন্তৰীয়ে ক'লে, "মহাৰাজ,

কাশীৰাম কলিতা



আপুনি যদি অনুমতি দিয়ে—মই মোৰ ৰচা কবিতা আমাৰ মাননীয় অতিথি সকলৰ আগত পাঠ কৰি শুনাব পাৰোঁ।"

মহাৰাজে অবাক দৃষ্টিৰে বৈদ্য ধন্বন্তৰীলৈ চালে আৰু তাৰ পাছত একপ্ৰকাৰে বাধ্যত পৰি নীৰৱে সন্মতি দিলে।

বৈদ্য ধন্বন্তৰীয়ে ছন্দবদ্ধ কবিতা পাঠ কৰিলে। এই কবিতাসমূহ আছিল বিবিধ-বিষয়ক কবিতা। বৈদ্য ধন্বন্তৰীৰ কবিতা শুনি চুবুৰীয়া ৰাজাৰ কবিসকলে হাত-চাপৰি বজাই ধন্বন্তৰীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলে।

মহাৰাজেও বৈদ্য ধন্বন্তৰীলৈ সন্মান-জনক অভিনন্দন জ্ঞাপন কৰিলে, আৰু চুবুৰীয়া কবিসকল গুচি যোৱাৰ পাছত ধন্বন্তৰীক ক'লে, "আপোনাক আমি প্ৰতিভাসম্পন্ন চিকিৎসক বুলিহে জানো; কিন্তু আপোনাৰ মাজত যে এক মহা প্ৰতিভাবান কবি আছে—সেইটি কথা আজিহে জানিলোঁ।"

ধন্বন্তৰীয়ে বিনম্ৰতাৰে ক'লে, "ক্ষমা প্ৰাৰ্থনা কৰিছোঁ, মহাৰাজ! মোৰ বৃত্তি হ'ল—চিকিৎসা। আৰু প্ৰবৃত্তি হ'ল—কাব্য। মাত্ৰ অৱসৰ-সময়তহে মই কিঞ্চিত কাব্য-চৰ্চা কৰোঁ। এতেকে—মহাৰাজ, আপুনি ভুলতো মোক কোনো কবি বুলি নাভাবিব।"

ধন্বন্তৰীৰ কথা মহাৰাজে মানি নল'লে। তেওঁ ক'লে, "প্ৰবৃত্তিক বৃত্তি হিচাপে লোৱাটোহে ন্যায়-কথা। আগলৈ—আপুনি বেজালি এৰি কাব্যচৰ্চাকে কৰি থাকক।"

হাজাৰ হওক—ৰজাৰ কথা। মানিবই লাগিব। ধন্বন্তৰীয়েও মানি ল'লে, আৰু কাব্যচৰ্চাতে মনোনিবেশ কৰিলে।

কিছু দিনৰ পাছত মহাৰাজৰ পিঠিত এটা ডাঙৰ খহু ওলাল। তেতিয়া বৈদ্য ধন্বন্তৰী ৰাজ্যত নাই, দূৰণিবটীয়া ৰাজ্য

এখনলৈ কবি-সন্মিলনলৈ যোগ দিবলৈ গ'ল। ধন্বন্তৰীৰ শিষ্যহঁতে মহাৰাজৰ খহু ভাল কৰিবলৈ যথেষ্ট চেষ্টা কৰিলে, কিন্তু তেওঁলোকে ব্যৰ্থ হ'ল।

এদিন কবিন্দ্ৰ ৰাজেন্দ্ৰই পীড়িত মহাৰাজক ক'লে, "মহাৰাজ, বৈদ্যশাস্ত্ৰত মোৰো যৎকিঞ্চিত ৰাপ নথকা নহয়। যদি আপত্তি নাই—আপোনাক ৰোগমুক্ত কৰাৰ চেষ্টা কৰোঁনে?"

মহাৰাজে কবিন্দ্ৰ ৰাজেন্দ্ৰক এই অনুমতি দিলে, আৰু কথা আচৰিতেই—পাছদিনা কবিন্দ্ৰ ৰাজেন্দ্ৰই তেওঁৰ ঘৰৰ পিছফালৰ বাগিচাৰপৰা এজোপা গছৰ মূল আৰু পাত পিহি লৈ আহি মহাৰাজৰ খহুত প্ৰলেপৰ দৰে লগাই দিয়াত দুই-তিনি দিনতে মহাৰাজ সম্পূৰ্ণ সুস্থ হৈ উঠিল।

মহাৰাজে কবিন্দ্ৰ ৰাজেন্দ্ৰক ক'লে, "এগৰাকী কবি যে বৈদ্যশাস্ত্ৰতো ইমান প্ৰতিভাবান—সেই ধাৰণা কৰাটো দুৰূহ। আগলৈ কবিতা-ৰচন স্থগিত ৰাখি বৈদ্যশাস্ত্ৰকে মন্থন কৰক।"

ৰাজেন্দ্ৰই ক'লে, "মহাৰাজৰ ইচ্ছায়েই আমাৰো ইচ্ছা। কথা হ'ল—আমাৰ ঘৰৰ পিছফালে থকা বাগিচাখনত থকা যিমান গছ-গছনি ৰোৱা হৈছে—সকলো ঔষধিগুণসম্পন্ন গছ-গছনি। ৰাজসভাত থকালৈকে কাব্যচৰ্চাকে কৰোঁ; কিন্তু ঘৰ পাই বৈদ্য-চৰ্চাতে ধৰোঁ। তেতিয়া মোৰ



ধ্যান-জ্ঞান বৈদ্যশাস্ত্ৰ।"

"ঠিক আছে, এতিয়াৰপৰা বৈদ্যশাস্ত্ৰকে আপুনি বৃত্তি হিচাপে লওক।" মহাৰাজে কবি ৰাজেন্দ্ৰক ক'লে।

এই ঘটনাৰ কিছু দিনৰ অন্তত এদল যুৱা কবি প্ৰতাপবৰ্মাদেৱৰ সভালৈ আহিল। মহাৰাজে এখন কবি-সন্মিলনৰ আয়োজন কৰিলে। কিন্তু ন-কবি ধন্বন্তৰী তেতিয়ালৈকো এনেবোৰ সন্মিলনৰ কাৰণে প্ৰস্তুত হ'ব পৰা নাছিল বুলি ভাগ ল'ব নোৱাৰিলে।

তেতিয়া পুনৰ কবিন্দ্ৰ ৰাজেন্দ্ৰকে মতাই অনোৱা হ'ল আৰু তেওঁ মহাৰাজৰ মানৰক্ষা কৰিলে।

এপৰমানৰ অন্তত মহাৰাজৰ চাৰি-বছৰীয়া ল'ৰাটো বেমাৰত পৰিল। মহাৰাজে ৰাজেন্দ্ৰলৈ খবৰ পঠালে। কিন্তু এইবাৰ ৰাজেন্দ্ৰৰ চিকিৎসাই কোনো গুণ নিদিলে।

কথাটো ধন্বন্তৰীয়ে শুনামাত্ৰেই বৈদ্য ধন্বন্তৰী ৰাজপ্ৰাসাদলৈ আহিল আৰু পৰীক্ষা কৰি চাই—বিশেষভাবে তৈয়াৰী বড়ি এটা খুউৱাৰ এঘণ্টামানৰ ভিতৰতে ল'ৰাটোৰ জ্বৰ কমিল, আৰু আন কিছুখিনি দৰব খুউৱাৰ পাছত ল'ৰাটো দুই দিনতে সম্পূৰ্ণ সুস্থ হৈ উঠিল।

আৰু তেতিয়াহে মহাৰাজে বৃত্তি আৰু প্ৰবৃত্তিৰ পাৰ্থক্য সঠিককৈ উপলব্ধি কৰি ৰাজেন্দ্ৰ আৰু ধন্বন্তৰীক ক'লে, "মই আপোনালোকক আপোনালোকৰ প্ৰবৃত্তি অনুসাৰে বৃত্তি গ্ৰহণ কৰিবলৈ কৈছিলোঁ। কিন্তু মোৰ ভুল হৈছিল। অৱসৰ-সময়ৰ প্ৰবৃত্তিৰ সৈতে প্ৰকৃত বৃত্তিৰ সম্পৰ্ক নাথাকিবও পাৰে বুলি মোৰ এতিয়া বিশ্বাস হৈছে। গতিকে — প্ৰবৃত্তি প্ৰবৃত্তিতে থাকক—বৃত্তি থাকক বৃত্তিত। আৰু সেইহে — আপোনালোক যি আহিল, সেয়ে হৈ থাকক।"





খাঁজ-খোপ

ৰংপুৰৰ খাজাঞ্চী বহুগুণ যেতিয়া বুঢ়া হ'ল, তেতিয়া তেওঁ তেওঁৰ পুত্ৰৰ ওচৰত খাজাঞ্চীৰ কাম চম্ভালিবৰ দায়িত্ব দিলে আৰু ক'লে, "খাজাঞ্চীৰ ঘৰত বান অহাদি ধন আছে—বুলি কোৱা হয়। আৰু—কথাষাৰ হওঁতে সাঁচেকাটে সচাঁও হয়। পিছে—সেই বুলি চৰকাৰৰ পাওনাত হাত দিয়াটো ভাল নহয়, বা ধনিক খেতিয়ক-ইঁতৰ সৈতে শত্ৰুতা কৰাটোও ঠিক নহয়। এইবোৰ-এনেবোৰ বহুতো আলৈ আপদলৈ সদায় লক্ষ্য ৰাখি যিমান সৰকাব পাৰা—সৰকাবা, কোঁচা-ইগৰকি আনিবা, ধনগুলৈ হ'বা—দোষ নাই।"

পুত্ৰ গুণধৰে পিতৃ বহুগুণৰ এনেকুৱা বহু কথা চুপেচাপে শুনিলে, একো নক'লে বা একো নুসুধিলেও।

কিছুদিনৰ অন্তত। এদিন শত্ৰু নামৰ এজন অতি সাধাৰণ খেতিয়ক গুণধৰৰ কায চাপিল। শত্ৰুৰ প্ৰকৃত নাম শত্ৰুঘ্ন, কিন্তু ৰাইজে শত্ৰুঘ্নৰ "ঘ্ন"টো কোৱাত টান পাই শব্দটোক পোনাই শত্ৰু কৰি লৈছে।

গুণধৰে হিচাপৰ বহীত বিচাৰি বিচাৰি শত্ৰুৰ নাম পালে, আৰু কেঁচা ৰছিদত দেখিলে যে শত্ৰুৰে বাস্তৱিকতে দিবলগীয়া একো নাই, শত্ৰুৰে সকলো পাওনা দিলে।

কিন্তু কেঁচা ৰছিদত পাওনা শোধোৱাৰ কথা স্পষ্টকৈ থকা সত্বেও পকা বহীত কিয় নাই—সেইটো কথা নিজৰ বুদ্ধিৰে বুজিব নোৱাৰি গুণধৰে মূৰ খজুৱাই খজুৱাই তাৰ পিতৃদেৱক সুধিলেগৈ।

বুঢ়া বহুগুণে পুত্ৰ গুণধৰৰ গাত বিহ কাঁড় লগা যেন দেখি হো হোকৰে হাঁহি

ধৰ্মনন্দন ডেকা



উঠি ক'লে, "ইয়াৰে নাম—খাজাঞ্চীৰ কাম। বুইছা, কেৱল শত্ৰুৰেই নহয়, সৰু সৰু খেতিয়কবিলাকৰ ঢেৰ নাম তেনেকৈ ৰছিদত পাবা, কিন্তু পকা বহীত নাপাবা। কিন্তু — ভূষণ বা ৰঙ্গাৰ দৰে আঢ্যৱন্ত খেতিয়কহঁতে বহু বছৰ ধৰি খাজনা নিদিয়া সত্বেও এওঁলোকৰ নাম পকা বহীত পাবা—আৰু এওঁলোকে চৰকাৰী বা আমাৰো প্ৰাপ্য শোধালে বুলিয়েই পাই থাকিবা। শত্ৰুহঁতৰ নিচিনা সৰু-সুৰা খেতিয়কে সদায়েই পাওনা দি দিয়ে, ভয়তে হ'লেও নিদিয়াৰ ভুল সিহঁতে নকৰে, কিন্তু ভূষণ-ৰঙ্গাহঁতে চৰকাৰক ফাঁকি দি আমাৰ জেপ গধুৰ কৰে, আৰু আমিও—আমি মানে—খাজঞ্চীহঁতেও সিহঁতক এই কামত সহায় কৰোঁ! আমি চৰকাৰক পকা বহী দেখুৱাওঁ, কওঁ যে ভূষণ-ৰঙ্গাহঁতে চৰকাৰৰ খাজনা ঠিকমতেই দিয়ে। ফলকথা হ'ল—সৰুৰ লগত সতৰ-নতৰ—বৰৰ লগত বৰাৰ ভাত—ইয়াকে কয় খাজাঞ্চীৰ হাত। থূলমূলতে—বৰৰ দোষ পিছলাই নি—সৰুক—লাগিলে বিনাদোষতো হেঁচা মাৰি ধৰিব লাগিব—তেহে খাজাঞ্চী বুলি চৰকাৰে আৰু ৰাইজেও মান ধৰিব।"

গুণধৰে গমিলে যে—খাজাঞ্চী হ'বলৈ হ'লে খৰাঁ-দা জোকাৰিবৰ গুণ গাত থাকিব লাগিব। যিকি নহওক—গুণধৰে শত্ৰুক পকা ৰছিদ লিখি দিলে আৰু তাক ক'লে, "আমাৰ বোপা ককা—সকলো খাজাঞ্চীয়েই আছিল। তেতিয়া তেওঁলোকৰ খোৱা-পিন্ধাৰ কোনো অভাৱ নহৈছিল। কিন্তু দিন বদলিল। এতিয়া কথা একেবাৰে আন হ'ল। এতিয়া দুৰ্নীতিয়ে শিপা মেলিলে। আমিও যি পাওঁ — তাৰে নচলা হ'ল। যদিও—তোমালোকৰ নিচিনা দুখীয়াৰপৰা কোনো প্ৰতিদানৰ আশা আমি কৰা নাই।"

গুণধৰে তাৰ পিতাকৰ কথা আখৰে আখৰে মানিব নোৱাৰিলে, আৰু ভূষণ-

ৰঙ্গাইতৰ দৰে আঢ্যৱন্ত খেতিয়কহঁতৰ নাম বাকীৰ বহীত লিখিবলৈ ধৰিলে।

তিনি বছৰমান পাৰ হ'ল। গুণধৰে খাজাঞ্চীৰ কাম—তাৰ পিতাকে কোৰাৰ দৰে নহ'লেও—প্ৰায় তেনে উপায়েৰেই চলাই থাকিল। সকলো ঠিকেঠাকে নিৰুপদ্ৰৱেৰেই চলি থাকিল। কিন্তু এনেতে এদিন গুণধৰৰ দেউতাক ঢুকাল।

থলুৱাভাৱে দেহান্ত আচাৰ-অনুষ্ঠান পালনৰ অন্তত গংগাত চিতাভস্ম বিসৰ্জিবলৈ গুণধৰ চিতাভস্মৰে সৈতে কাশীলৈ গ'ল আৰু যোৱাৰ আগতে এজন আত্মীয়ক খাজাঞ্চীৰ কামখিনি চলাবলৈ কৈ গ'ল।

কিন্তু যিজনৰ ওপৰত খাজাঞ্চীৰ দায়িত্ব জাপি দি গুণধৰ কাশীলৈ গ'ল, সেইজন—নৰধৰ আছিল মহাতুষ্ট মানুহ। এমাহৰ বাবে পোৱা দায়িত্বক কেনেকৈ এজীৱনীয়া কৰিব পাৰি—সেই কথালৈ নৰধৰে মন দিলে।

নৰধৰ ডাঙৰ ডাঙৰ খেতিয়কহঁতৰ কাষ চাপিল আৰু হিচাপৰ ভিতৰুৱা কথাৰ ভেদ ভাঙি দি ক'লে, "আমাৰ হিচাপ মতে— আপোনালোকে কোনো ধৰণৰ খাজনা-তাজনা দিয়াৰ আৱশ্যকেই নেদেখোঁ। সৰু সৰু খেতিয়কবোৰে চব ঠিকঠাককৈ দিয়ে, আৰু তাৰেই আমাৰ পকা বহীৰ হিচাপ লৈ যায়: যদিও



সিহঁতক আমি সদায়েই কেঁচা ৰছিদহে দিওঁ, পকা বহীত সিহঁত হ'ল—দেদেৰাপৰা দেনদাৰ—চিৰকালৰ ধৰুৱা। হাঃ হাঃ হাঃ! বুইছেই নহয়—? যেই কি—নওহক আপোনালোকে যদি মোক দেখে—ময়ো আপোনালোকক—ক'ব লাগিবনে আৰু? ঢোকাত কল ৰ'ব, কলত ঢোকা—কোনেও কালৈকো নদলিয়াওঁ বোকা!"

ডাঙৰ ডাঙৰ খেতিয়কবিলাকৰ মাজত বহুতেই নৰধৰৰ কথাত হয় কৰিলে।

কাশীৰপৰা ঘূৰি গুণধৰে নৰধৰে নাৰৰ বুকুত চৰি মৰাৰ কথাটো গম পালে।

এই কথাত হৈ-চৈ আৰম্ভ হ'ল। নৰধৰে ইতিমধ্যে ৰাইজৰ মাজত প্ৰচাৰ কৰি দিছিল যে—খাজনা বাকী থকাইঁত অনতিপলমে কাচাৰীলৈ আহিব লাগে আৰু বাকী থকা খাজনা শোধাব লাগে।

এই কথাত সৰু সৰু সৎ খেতিয়কসকল উত্তেজিত হৈ উঠাত গুণধৰে তেওঁলোকক শান্ত কৰি ওভোতাই পঠালে, আৰু ডাঙৰ দুষ্ট খেতিয়ক কিছুমানক মতাই অনাই ক'লে যে—তেওঁলোকে যদি নিজৰ প্ৰকৃত ভাল হোৱাটো বিচাৰে—তেনেহ'লে প্ৰকৃত ন্যায়-যুক্তিৰ পথলৈ আহিব লাগিব। "যোৱাবাৰ আপোনালোকে কুঁহিয়াৰৰ খেতি কৰা সত্বেও কলগছ কইছিল বুলি লিখোৱাইছিল—সেই কথা যেতিয়া চৰকাৰে জানিব—তেতিয়া আপোনালোকৰ কিখিনি লটি-ঘটি হ'ব নিজেই ভাবি চাওক।"

আট্যৰম্ভ খেতিয়কইঁতে এই কথাত দমি গ'ল আৰু তেতিয়াই তেওঁলোক গুণধৰৰ গুণত পমি গ'ল, আৰু দুষ্ট নৰধৰ গাঁওঁ এৰি গুচি গ'ল।

কেৱল খাজাঞ্চীয়েই নহয়—জীৱনৰ যিকোনো কামেই যে খাঁজ-খোপ লগাই ক'ব-কৰিব লাগে—গুণধৰে এই ঘটনাত পৰি সেই কথাটো শিকিলে।





মহাভাৰত

২৩

ধৰ্মৰাজে কৃষ্ণক ক'লে, "হে কৃষ্ণ, ৰাজসূয় যজ্ঞৰ সফলতাৰ বাবে তোমাৰ সহায়তা একান্ত আৱশ্যক। তুমি এই যজ্ঞ পূৰ্ণ কৰাৰ অনুমতি প্ৰদান কৰাঁ, বা স্বয়ং এই যজ্ঞৰ গুৰি ধৰাঁ।"

কৃষ্ণই ক'লে, "হে ধৰ্মৰাজ, সাম্ৰাজ্যৰ ভাৰ তুমিয়েই বহন কৰিব পাৰিবা, সেই যোগ্যতা তোমাত বিদ্যমান। গতিকে তুমিয়েই যজ্ঞ কৰি থকা। পিছে—যজ্ঞৰ বাবে আৱশ্যকীয় কোনো কৰ্মভাৰ যদি মোক দিয়া, মই অৱশ্যেই পালন কৰিম।"

কৃষ্ণৰ কথা শুনি ধৰ্মৰাজ অতি প্ৰসন্ন হ'ল আৰু সহদেৱক যজ্ঞ প্ৰস্তুতিৰ বাবে আৱশ্যকীয় ব্যৱস্থা কৰিবলৈ ক'লে। তাৰ পাছত নকুলক ক'লে, "তুমি হস্তিনাপুৰলৈ গৈ—পিতামহ ভীষ্ম, ধৃতৰাষ্ট্ৰ, বিদুৰ, দ্ৰোণ, কৃপাচাৰ্য্য, অশ্বথমা, দুৰ্য্যোধন প্ৰমুখক মাতি লৈ আহাগৈ।"

এওঁলোক যেতিয়া আহিল, তেতিয়া ধৰ্মৰাজে প্ৰতিজনকে কিবা-নহয়-কিবা কাৰ্য্যৰ দায়িত্বভাৰ দিলে। যজ্ঞকালত দান-ধৰ্মৰ ভাৰ দিলে কৃপাচাৰ্য্যক, আহাৰ্য্যাদিৰ দায়িত্ব দিলে দুঃশাসনক, ব্ৰাহ্মণ সকললৈ আদৰ-সৎকাৰৰ দায়িত্ব অশ্বথমাক দিয়া হ'ল, সঞ্জয়ক দিয়া হ'ল ৰজাসকলক আপ্যায়নৰ দায়িত্ব। আৰু অতিথিবৰ্গক উপহাৰ-উপঢৌকন প্ৰদানৰ দায়িত্ব প্ৰদানিত হ'ল দুৰ্য্যোধনলৈ।

'শিশুপাল বধ-কথা'



আৰু এইবোৰ কাৰ্য্যতাৰ সকলোকে সঁপি দিয়াৰ অন্তত ধৰ্মৰাজে যজ্ঞ-দীক্ষা গ্ৰহণ কৰিলে !

যজ্ঞ-সফলতাৰে সমাপ্ত হ'ল। তেতিয়া ভীষ্মই ধৰ্মৰাজক ক'লে, "হে স্নাতক, ঋত্বিজ, সদগুৰু, ইষ্ট, ৰজা, প্ৰমুখাৎ যথাযোগ্য পূজা যোগ্যতাৰ পৰিচায়ক। এওঁসৰৰ মাজতো যিজন মহান, সৰ্বাগ্ৰে তেওঁক পূজিব লাগে।"

ধৰ্মৰাজে ভীষ্মলৈ নিবেদিলে, "সৰ্বাগ্ৰে কাক পূজিব লাগিব—আপুনিয়েই স্থিৰ কৰি দিয়ক, মই তেওঁকে পূজিম।"

ভীষ্মই ভাবি-চিন্তি ক'লে, "এই মহাসভাত অগ্ৰপূজাৰ যথাযোগ্য যোগ্য হ'ল—কৃষ্ণ। সৰ্বপ্ৰথমে কৃষ্ণলৈ অৰ্ঘ্য প্ৰদানা।"

কিন্তু এই কথাত শিশুপালে আপত্তি প্ৰদৰ্শন কৰিলে। কৃষ্ণৰ বিৰোধিতা কৰি শিশুপালে ধৰ্মৰাজক ক'লে, "হে ধৰ্মৰাজ, যিস্থলত এই সভাত অসংখ্য মহান ৰজা আৰু অন্য অন্য মাননীয় উপস্থিত আছে, সিস্থলত যাদৱ কৃষ্ণনো কোন? কৃষ্ণ কোনোবা প্ৰাজ্ঞবৃদ্ধনে? কিম্বা এই কৃষ্ণ তোমালোকৰ আচাৰ্য্যনে? মহান ঋত্বিজনে? কৃষ্ণত কিনো ইমান গুণ—যাৰ কাৰণে সৰ্বাগ্ৰ পাদ্য-অৰ্ঘ্য পাব? তোমাক পৰামৰ্শ প্ৰদানোতা ভীষ্ম মহাশয়ৰ কিজানি উচিত-অনুচিতৰ বোধশক্তি বিলুপ্তি হ'ল। কৃষ্ণক যদি সৰ্বাগ্ৰ-অৰ্ঘ্য প্ৰদানিবা, ইমান ৰজাক আহ্বান কৰি আনিছিলা কিয়? এয়া দেখ দেখ অপমান নহয়নে? —তোমাক আমি সাম্ৰাজ্য চলাবৰ যে বুলিয়েই গণ্য কৰিছিলোঁ; কিন্তু এই অপকৃষ্ট কৰ্ম কৰিবলৈ উদ্যত হোৱাত তোমাৰ কীৰ্তিত তুমিয়েই কলংক আৰোপ কৰিলা।"

তাৰ পাছত শিশুপালে কৃষ্ণক ক'লে, তোমাৰ কূট-কৌশলত ভীত হৈহে ধৰ্মৰাজে এই জঘন্য কৰ্ম কৰিবলৈ আগ বাঢ়িছে।

পিছে সোধোঁ— তুমি ভালৰো ভাল কেনেকৈনো এই ধিক্কাৰজনক প্ৰস্তাৱত সম্মত হৈছা ? তুমি যে এই সম্মানৰ যোগ্য নোহোৱা— নাজানানে ? নুবুজানে ? পাণ্ডৱৰপৰা এই সম্মান আমাৰ যেইকোনো মহান ধৰ্মৰাজৰ অধৰ্মবুদ্ধি, ভীষ্মৰ অসৎবুদ্ধি আৰু তোমাৰ অবিবেকী সম্মতিৰ দৃশ্য প্ৰত্যক্ষ কৰাৰ পাছত এই সভাত আৰু থকাৰ প্ৰয়োজন নাই।" এই বুলি কৈ, পৰিয়াল-পৰিজনৰে সৈতে শিশুপালে তাৰপৰা গুচি যাবলৈ ধৰিলে।

ধৰ্মৰাজে শিশুপালক বাধা দিলে আৰু ক'লে, "শিশুপাল, তিষ্ঠ। এনেবোৰ কথা কোৱাটো তোমাৰ পক্ষে উচিত নহ'ল। ভীষ্ম পিতামহক অপমান কৰাটো অতিশয় অন্যায়। কৃষ্ণৰ বিষয়ে তুমি হয়তো আমাতকৈও অধিক জ্ঞাত। কিন্তু তোমাতকৈও জ্যেষ্ঠসৰ এই — সভাত উপস্থিত আছে, আৰু তেওঁলোকে কিন্তু এই কথাত কোনো আপত্তি দৰ্শোৱা নাই। তেনেস্থলত—তুমি কিয় এনেকৈ হুলস্থূলৰ সৃষ্টি কৰিছা ?"

ভীষ্মই ধৰ্মৰাজক ক'লে, "দুষ্ট শিশুপালক কিয় সদযুক্তি দিছা ? তাক যাবলৈ দিয়া।" তাৰ পাছত ভীষ্মই তাত উপস্থিত ব্যক্তিবৰ্গলৈ চাই ক'লে, "এই শিশুপাল হ'ল মহামূঢ়। সেইহে সি কৃষ্ণ-মাহাত্ম্য নুবুজে-নাজানে। সি যি পাৰে





কৰকগৈ, আমাৰ চিন্তা কৰিবলগীয়া নাই।"

খঙত ৰঙা পৰা শিশুপালৰ সেনাধিপতিয়ে উঠি থিয় দিলে আৰু তাত থকা ৰজাসকললৈ ক'লে, "আপোনালোক আহক, ব'লক, আমি গুচি যাওঁ। যাদৱ আৰু পাণ্ডৱহঁতে আমাক ঘোৰ অপমান কৰিলে, আমি এই অপমানৰ বদ্‌লা ল'মেই।" শিশুপালৰ ইংগিতত ৰজাসকল একযোগে উঠি থিয় হ'ল।

ভীত-সন্ত্রস্ত ধৰ্মৰাজে কৈ উঠিল, "হে পিতামহ ভীষ্ম, কিবা উপায় কৰক—যজ্ঞত যেন বিঘ্ন উপস্থিত নহয়।"

ভীষ্মই ক'লে, "কৃষ্ণ আছে যদি' যজ্ঞত বিঘ্ন সৃষ্টি-কৰোঁতা কোনো নোলাব। শিশুপালৰ দুঃসময়ে চমু চাপিলে, দুৰ্বুদ্ধিয়ে তাক চায়ন দি ধৰিলে।"

শিশুপালে সকলোলৈকে কটুবাক্য প্ৰয়োগ কৰি ৰজাসকলক লগত লৈ সভা এৰি ওলাই যাবলৈ ধৰোঁতে ক্রুদ্ধ ভীম আগুৱাই গ'ল। কিন্তু ভীষ্মৰ ইংগিতত ভীম ৰ'ল।

তাৰ পাছত ভীষ্মই ভীমৰ ওচৰত শিশুপালৰ বৃত্তান্ত কৈ থাকিল:

শিশুপাল তিনিচকুৰা আৰু চাৰিহতীয়া হৈ জনমিছিল। ইমান কুৰূপ তথা বীভৎসাকৃতি সন্তানক ভীতা মাতৃ সাত্যতী আৰু পিতৃ দমঘোষে লগে লগে দলিয়াই পেলাবলৈ ধৰাত, ঠিক তেতিয়াই এক দৈৱবাণী হ'ল:

"দলিয়াই নেপেলাবা। এই সন্তান অত্যান্ত পৰাক্রমী হ'ব। ইয়াক বধ কৰা মানৱৰ পক্ষে অসম্ভৱ হ'ব।"

তেতিয়া সাত্যতীয়ে দৈৱবাণীকসুধিলে, "কিন্তু কাৰ হাতত তাৰ মৃত্যু হ'ব?"

দৈৱবাণীয়ে ক'লে, "ইয়াক যিজনে হাতৰ তালুৰাত ল'ব, সেইজনৰ হাততে ইয়াৰ মৃত্যু হ'ব।"

তেতিয়াৰপৰা মাতৃ সাত্যতীয়ে শিশু শিশুপালক চাবলৈ অহা সকলোটিৰ

হাততে দি চাইছিল।

তেতিয়া এদিন বলৰামৰ সৈতে কৃষ্ণও চণ্ডিপুৰলৈ গৈছিল। কৃষ্ণই দমঘোষৰ সৈতে কিঞ্চিত বার্তালাপ কৰাৰ অন্তত সাত্যতীৰো কুশল-মংগল সুধিলেগৈ, আৰু তেতিয়া বলৰামে শিশু শিশুপালক কৃষ্ণৰ হাতৰ তলুৱাত থৈ দিলে।



আৰু লগে লগে শিশুপালৰ এটা বিকৃত চকু আৰু বিকৃত হাত দুখন নোহোৱা হ'ল!

তেতিয়া সাত্যতীয়ে বুজি পালে পুত্ৰ শিশুপালৰ মৃত্যু কৃষ্ণৰ হাততে হ'ব। সাত্যতীয়ে কৃষ্ণক পুত্ৰৰ ত্ৰুটি ক্ষমা কৰিবলৈ কাবৌ-কোকালি কৰাত কৃষ্ণই শিশুপালৰ শত ত্ৰুটি ক্ষমা কৰিব বুলি কথা দিলে।

ভীষ্মই এইবোৰ কথা কোৱাত শিশুপালে ভীষ্মলৈ যদৃচ্ছা কটুবাক্য প্ৰয়োগ কৰি থাকিল আৰু কৃষ্ণকো হোৱাই-নোহোৱাই কৈ থাকিল ঃ

"যদি সাহস আছে, মোৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰা—মই তোমাক ডেকুৰ দিবলৈ ৰৈ আছোঁ। তোমাৰ অহংকাৰ মই চূৰ্ণ-বিচূৰ্ণ কৰিহে এৰিম, তাৰ পাছত পাণ্ডৱহঁতৰ টেঁটুত ধৰিম। তোমাক পূজা কৰাৰ মজা পাষণ্ড পায়া পোৱা পাণ্ডৱমখাই পাবই লাগিব।"

কৃষ্ণই সকলো কুবচন সুবচন শুনা-দিয়েই শান্তভাবে শুনি থাকিল। তাৰ পাছত — যেতিয়া কৃষ্ণৰ সহনশক্তি নিঃশেষিত হ'ল, তেতিয়া তেওঁ সেই যজ্ঞস্থলত উপস্থিত থকা সকলক ক'লে ঃ

"আপোনালোকে সকলো কথা শুনিলে। শিশুপাল যদিও আমাৰ মামীয়েৰাৰ পুত্ৰ, তথাপি এনেহেন অকাৰণ অপমানকৰ কটু আচৰণৰ যথাযোগ্য প্ৰতিফল দিবই লাগিব ইয়াক। আমি যেতিয়া প্ৰাগজ্যোতিষপুৰ আক্ৰমণ কৰিছিলোঁ, তেতিয়া ই দ্বাৰকালৈ প্ৰবেশ কৰি দ্বাৰকাত অগ্নি-সংযোগ কৰিছিল।



আমি যেতিয়া ৰৈৱত পৰ্বতোপৰি বিশ্ৰাম লৈ আছিলোঁ, তেতিয়া ই তাতো ওলাইছিলহি। তাত ই আমাৰ কিছুমানক বধিছিল, আৰু কিছুমান নাৰীকো অপহৰণ কৰিছিল। আমাৰ পিতৃ বসুদেৱে যেতিয়া অশ্বমেধযজ্ঞ পাতিছিল, ই তেতিয়া সেই অশ্ব অপহৰণ কৰিছিল। ই অমৃতবাহনৰ পত্নীকো লৈ গৈছিল, আৰু ৰুক্মিণীক বিবাহ কৰিব খুজিছিল ?

এইদৰে ই শিশুপালে অসংখ্য অন্যায় কৰ্ম কৰাত—সাত্যতীৰ ওচৰত বচনবদ্ধতাৰ বাবে — মই একো প্ৰতিকাৰ কৰিব নোৱাৰিলোঁ।"

কৃষ্ণৰ এই কথাত শিশুপালে উপহাস-মিশ্ৰিত অট্টহাস্য কৰি উঠিল আৰু তুচ্ছ দৃষ্টিৰে কৃষ্ণলৈ চাই কৈ থাকিল:

"কৃষ্ণ, মই যিজনীক বিবাহ কৰাম বুলি স্থিৰ কৰিছিলোঁ, সেইজনীক তুমি বিবাহ কৰিছিলা যে — সেই কথাত তোমাৰ লাজ লগা নাইনে ? নিৰ্লজ্জ ক'ৰবাৰ ! তোমাৰ কথাৰপৰা সকলোটিয়ে ভাবিব যে মই তোমাৰ কৃপাতহে হেনো জীয়াই আছোঁ। তোমালৈ মোৰ কোনো পৰোৱা নাই, যদি পাৰা, যদি সঁচাকৈ তোমাত পুৰুষত্ব বোলা পদাৰ্থ আছে, আহাঁ, মোক বধ কৰাঁহি।"

আৰু কৃষ্ণই তৎমুহূৰ্ত্ততে—সুদৰ্শনচক্ৰ হাতত লৈ শিশুপালৰ প্ৰতি প্ৰযোগ কৰি তাক খণ্ড-বিখণ্ড কৰি পেলালে।

তাৰ পাছত ধৰ্মৰাজে শিশুপালৰ অন্ত্যেষ্টিক্ৰিয়াৰ আৰু শিশুপালৰ পুত্ৰৰ ৰাজ্যাভিষেকৰ বাবে আদেশ প্ৰদান কৰিলে।

ৰাজসূয় যজ্ঞ পূৰ্ণ হ'ল। ধৰ্মৰাজে স্নানান্তে দীক্ষা সমাপন কৰিলে। তাত উপস্থিত থকা সমস্ত ৰজাই ধৰ্মৰাজলৈ ওলগনি জ্ঞাপন কৰিলে আৰু তেওঁৰপৰা বিদায়-অনুমতি গ্ৰহণ কৰিলে।

ধৰ্মৰাজে সকলোটিলৈ যথাযোগ্য



আদৰ-সৎকাৰ কৰিলে আৰু তেওঁলোকৰ লগ লাগি হস্তিনাপুৰৰ সীমালৈকে গৈ তেওঁলোকক বিদায় দিবলৈ ভ্ৰাতৃসকলক তেওঁলোকৰ লগত পঠালে।

তাৰ পাছত—কৃষ্ণ দ্বাৰকালৈ গুচি গ'ল। কিন্তু ময়দানৱ -নিৰ্মিত এই সভাগৃহ চাবলৈ দুৰ্য্যোধন থাকি গ'ল। দুৰ্য্যোধনে শকুনিকো লগত ৰাখিলে।

এদিন ব্যাসদেৱ ধৰ্মৰাজৰ ওচৰলৈ আহিল। ধৰ্মৰাজে আপোন আশংকা গুচাবলৈ ব্যাসদেৱক সুধিলে, "ৰাজসূয় যজ্ঞৰ সময়ত — শিশুপালৰ-বধ সংঘটিত হ'ল। এই ঘটনাৰপৰা কিবা কুফল লাভ হ'ব বুলি ভাবেনে?"

"হ'ব, কুফল হ'ব। এয়োদশ বছৰৰ অন্তত এই কুফল প্ৰকটিত হ'ব? তেতিয়া ক্ষত্ৰিয়ৰ বিনাশ সাধিত হ'ব।" ব্যাসদেৱে ধৰ্মৰাজৰ জিজ্ঞাসাৰ উত্তৰত ক'লে।

ব্যাসদেৱৰ উত্তৰ শুনি ধৰ্মৰাজ বিষাদগ্ৰস্ত হৈ পৰিল। কিন্তু অৰ্জুনে জ্যেষ্ঠভ্ৰাতাক ধীৰতা-স্থিৰতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিলে।

ইপিনে— ধৰ্মৰাজৰ অপাৰ বৈভৱক দুৰ্য্যোধনে আপোন পৰাভৱ বুলি ভাবি অন্তৰত জ্বলি-পুৰি ভস্ম হৈ থাকিল। ধৰ্মৰাজ সম্ৰাট হ'ল—এই লোকোত্তৰ ময়-নিৰ্মিত হৰ্ম্য প্ৰাপ্ত হ'ল—এই লাজ-অপমান পায়ো তেওঁ কেনেকৈ যে জীৱন-নিৰ্বাহ কৰিব—সেই কথা ভাবি নোপোৱা হ'ল। তেওঁ ভাবিলে: শিশুপালৰ দৰে ময়ো মৃত্যুৰ গৰাহত পৰাহেঁতেন এই প্ৰাণান্তক জ্বলন-দহনৰপৰা মুক্তি লভিলোহেঁতেন। দুৰ্য্যোধনৰ হঠাৎ নিজক অতি হীন, অতিপাত বলহীন এক কদৰ্য্য পুৰুষ বুলি ভাবিবলৈ ধৰিলে আৰু এনেহেন অন্তৰ্জ্জলন সহিব নোৱাৰি পাছদিনাই ধৰ্মৰাজৰপৰা বিদায় লৈ হস্তিনাপুৰলৈ বুলি যাত্ৰা কৰিলে। [আগলৈ



ছোহোৰা

পৰমশিৱ তেওঁৰ বাহনত উঠি গৈ থাকোঁতে বৈতৰণী নৈত স্নানাৰ্থে নামিল, আৰু ছেগতে বাহন নন্দীয়ে নৈৰ পাৰত থকা এবিধ গছৰ পাত ছুলেগৈ। পাছত শিৱই নন্দীক সুধিলে যে সি কিয় এই গছৰ পাত ছুলেগৈ। উত্তৰত নন্দীয়ে ক'লে, "এই গছৰ নাম ছোহোৰা। পুৰাণত কোৱা মতে—এই গছৰ পাত শুঙিলে, বা ছুলেও ক্ষুধাৰ নিবৃত্তি হয়।" নন্দীৰ উত্তৰ শুনি শিৱ ক্ৰোধান্বিত হ'ল। শিৱই নন্দীক ক'লে "মোকেইনে পুৰাণৰ কথা কৈছা? ঠিক আছে, আজি তোমাক খাবলৈ দিয়া ন'হব;"

ইপিনে—কৈলাসত পাৰ্বতীয়ে ৰান্ধি-বাঢ়ি বহি বহি আছে পতিৰ বাট চাই। বৈ বৈ যেতিয়া ভোজনৰ সময় পাৰ হওঁ হওঁ হ'ল—তেতিয়া পাৰ্বতীয়ে পতিৰ আগমনলৈ আৰু অপেক্ষা নকৰাকৈয়েই ভোজনত বহিল। ভোজন যেতিয়া শেষ হওঁ হওঁ হ'ল—ঠিক তেতিয়াই নন্দীৰ গৰ্জন শুনি পাৰ্বতীয়ে হাত ধুই দৌৰি গ'ল আৰু ভাবি থাকিল যে পতিৰ আগমনলৈ অপেক্ষা নকৰাটো তেওঁৰ অন্যায় হৈছে। তেওঁ খৰধৰকৈ পতিৰ আহাৰৰ বাবে বন্দবস্ত কৰা দেখি পতি পৰমশিৱে পাৰ্বতীক ক'লে, "আজি নন্দীক খাবলৈ নিদিবা।"

শুনি—দুঃখিত নন্দীয়ে নোখোৱাকৈয়েই নিদ্ৰাৰ প্ৰস্তুতি ল'লে। কিন্তু ৰন্ধনৰ সুগন্ধই নন্দীক ইমানেই ভোক-বলিয়া কৰি তুলিল যে—কাকো একো নোকোৱাকৈ সেই সুখাদ্য পেট পূৰাই খালে।

উদ্ভিদ-বিজ্ঞানত এই বৃক্ষৰ নাম—ষ্ট্ৰেবলুছয়াস্পাৰ। ইংৰাজীত ছিয়্যাছ ৰছপুছ বুলি কয়। হিন্দী, বাংলা আৰু অসমীয়াতো এই বৃক্ষৰ নাম—ছোহোৰা। অসমীয়াত 'ছোহাৰা' বুলিও কয়। দৰাচলতে ই খাজুৰ জাতীয় গছ; কিন্তু গুটি খাজুৰতকৈ ডাঙৰ। ইয়াৰ শুকান গুটি বেপাৰীয়ে বেচেহি। এই গছ অসমত নহয়। মৰাঠীত এই গছক খৰেটি, মলয়ালমত পৰুকা. তামিলত পিয়ামৰ, আৰু তেলুগুত বাৰেকি বুলি কয়।

এই গছৰ পাত ডিম্বাকাৰ আৰু দলিচাৰ দৰে কোমল। এই গছৰ কাঠ খৰিকাঠ হিচাপে আৰু ঠাৰিবোৰ দাঁতঘঁহা ব্ৰাছ হিচাপে ব্যৱহাৰ কৰা হয়। এই গছৰ ফুল সৰু সৰু হালধীয়া বৰণৰ। জানুৱাৰি-মাৰ্চ মাহত ফুল ধৰে, তাৰ পাছত গুটি। এই গছৰ ডাল-পাত-শিপা ঔষধিগুণসম্পন্ন।



ভাৰতৰ ঋষিকুল—১৩

উদঙ্ক

মহাভাৰত আদি প্ৰাচীন গ্ৰন্থতো এই মহাঋষিৰ উল্লেখ পৰিলক্ষিত হয়।

উদঙ্ক আছিল পৈলমুনিৰ শিষ্য। বিদ্যাভ্যাসৰ সমাপ্তিৰ অন্তত তেওঁ গুৰুক সুধিছিল, “হে গুৰুবৰ, আপোনাৰ ঋণ পৰিশোধ সম্ভৱ নহয়। নহয়, গুৰু-দক্ষিণা দিয়াৰ বৰ মন হৈছে। কি দিম—ক'বনে?”

গুৰুৱে ক'লে, “মোৰ কোনো ইচ্ছা নাই। পিছে — তোমাৰ গুৰুমাতাক সুধিব পাৰা, তেওঁক যদি কিবা লাগে—লওক।”

উদঙ্ক গুৰু-পত্নীৰ কাষ চাপিল। আৰু গুৰু-পত্নীয়ে ভাবি-চিন্তি ক'লে, “পৌষ্যৰজাৰ পত্নীৰ কাণত থকা কুণ্ডল (লোকাপাৰ বা কঁৰিয়া) পালে ল'ম।”

উদঙ্ক পৌষ্যৰজাৰ ওচৰলৈ গ'ল আৰু তেওঁৰ গুৰুপত্নীৰ ইচ্ছাৰ কথা অকপটে ৰজাক ক'লে।

ৰজাই ক'লে, “ৰাণী অন্তেষপুৰত আছে। তুমি নিজেই তেওঁৰপৰা কুণ্ডল প্ৰাৰ্থনা কৰাগৈ।”

উদঙ্ক পৌষ্যৰাজৰ অন্তেষপুৰলৈ গ'ল, কিন্তু তাত ৰাণীক দেখা নাপালে। উদঙ্কই ৰজাক কথাটো ক'লেহি। ৰজাই কিছু সময়লৈ মৌন হৈ থাকিল আৰু তাৰ পাছত ক'লে, “আজি প্ৰাতঃকালত তুমি স্নান কৰি পৰিশুদ্ধ হৈছিলানে? দেৱতালৈ উছৰ্গাৰ পাছত আহাৰ কৰিছিলানে?”



উদঙ্কই মূৰ জোকাৰিলে, "নহয়।"

"কালিলৈ এইবোৰ পালন কৰাৰ অন্তত অন্তেষপুৰলৈ যাবা. তেওঁৰ দেখা পাবা।" পৌষ্যৰজাই ক'লে।

ৰজাই কোৱা মতে স্নানাহাৰৰ অন্তত অন্তেষপুৰলৈ গৈ. ৰাণীক পাই, অতি বিনম্ৰতাৰে সকলো বিবৰিলে আৰু তেওঁৰ আশ্চৰ্য্য কুণ্ডললৈ আবেদন জনালে।

উদঙ্কৰ বিনয়বচনমুগ্ধা ৰাণীয়ে উদঙ্কৰ হাতত কুণ্ডল প্ৰদান কৰিলে।

কুণ্ডলৰে সৈতে পুনৰ গুৰুৰ আশ্ৰমলৈ গৈ থাকোঁতে পথপাৰ্শ্বত এক সুনীল সৰোবৰ দেখা পাই উদঙ্কৰ মনত স্নান কৰাৰ ইচ্ছা জাগিল। তেওঁ সেই কুণ্ডল এচটা শিলৰ ওপৰত থৈ সৰোবৰলৈ নামিবলৈ ধৰোঁতে এজন সন্ন্যাসীয়ে সেই কুণ্ডল অপহৰণ কৰি দ্ৰুত গতিৰে পলাই যোৱা দেখি উদঙ্কই সেই তস্কৰ সন্ন্যাসীৰ পিছ ল'লে আৰু এই সন্ন্যাসীয়ে আচম্বিতে সৰ্পৰূপ ধাৰণ কৰি পাতাললৈ যোৱাত উদঙ্কয়ো পাতাললৈ যাব বুলি স্থিৰ কৰি দেৱৰাজ ইন্দ্ৰক স্মুঁৱৰিলে।

ইন্দ্ৰ তৎমুহূৰ্ততেই প্ৰত্যক্ষ হ'ল আৰু পাতাললোকৰ পথ উদঙ্কক দেখুৱাই দিলে। উদঙ্ক পাতাললৈ গ'ল আৰু তাত সৰ্পৰাজলৈ স্তুতি কৰাত সন্ন্যাসী ভেশধাৰী তস্কৰ তক্ষকৰপৰা কুণ্ডল প্ৰাপ্ত হ'ল।

পাতাললোকত উদঙ্কই নাৰীসকলক বগা আৰু ক'লা সূতাৰে বস্ত্ৰ বয়ন কৰা দেখা পালে। এই বয়নযন্ত্ৰৰ টোলোঠা আছিল বাৰটা। এই বয়নযন্ত্ৰৰ চক্ৰ ছটি বালকে ঘূৰাই আছিল।



তাৰ পাছত এদিন গুৰুৰ আশ্ৰমলৈ আহি উদঙ্কই গুৰুপত্নীলৈ সেই কুণ্ডল অৰ্পণ কৰিলে।

উদঙ্কই গুৰুৰ ওচৰত অন্যান্য বিমৰণৰ সৈতে পাতাললোকৰ বিবৰণ বিবৰিলে। পাতাললোকৰ বিবৰণ শুনাৰ অন্তত গুৰুৱে ক'লে, "বগা আৰু ক'লা সূতা হ'ল দিন আৰু নিশাৰ সংকেত। বয়নযন্ত্ৰৰ চক্ৰ হ'ল—কাল, বাৰটি টোলোঠা—বাৰ মাহ, আৰু চক্ৰ চলাওঁতা ছয় বালক ছয়ঋতু।

উদঙ্কৰ কাহিনী সৃষ্টি-ৰহস্যৰ ইংগিতবহ। কুণ্ডল হ'ল জ্ঞানৰ দ্যোতক। অদম্য আগ্ৰহ, ধৈৰ্য্য, অবিৰাম শ্ৰম, নিৰন্তৰ সজাগ দৃষ্টি থাকিলেহে যে দিব্যজ্ঞান লাভ হয়—উদঙ্কৰ কাহিনীয়ে আমাক সেই নিগূঢ় তত্ত্ব প্ৰদান কৰে।

জানিবলগীয়া

১. পৃথিৱীৰ সৰাতোকৈ বৃহৎ মহাকাব্যৰ নাম কি ?
২. সৰাতোকৈ অধিক ভূঁইকঁপ কোনখন দেশত সংঘটিত হয় ?
৩. আগৰ কালত কোনবিধ চৰাইৰ যোগেদি বাতৰি পঠোৱা হৈছিল ?
৪. শিল-খোৱা চৰাইৰ নাম ?
৫. সৌৰমণ্ডলৰ সৰাতোকৈ বৃহৎ গ্ৰহ ?
৬. 'নীল নদীৰ দেশ'—কোন দেশ ?
৭. বৃষ্টিৰ সৃষ্টি-ৰহস্য কি ?
৮. মানুহৰ কলিজা বা কলডিল কিমান ডাঙৰ ?
৯. থাৰ্মোমিটাৰত ব্যৱহৃত ধাতুৰ নাম ?
১০. আমেৰিকাৰ প্ৰথম ৰাষ্ট্ৰপতি ?
১১, তিনিখন মহাসাগৰৰ নাম কি কি ?
১২. নাৰ্চৰ বৃত্তিৰ সূচনা কোনে কৰিছিল ?
১৩. সূৰ্যৰশ্মিৰপৰা কোনবিধৰ ৰাইট্যামিন পোৱা যায় ?
১৪. ভাৰতত ভোটদাতাৰ সৰ্বনিম্ন বয়স কিমান হ'ব লাগে ?
১৫. ১৯৯৬ হ'ল লিপ্ ইয়াৰ। কিমান বছৰৰ বাদে বাদে লিপ্ ইয়াৰ হয় ?
১৬. কোন কোন দেশ 'বুল-ফাইট'ৰ কাৰণে বিখ্যাত ?

জানক

১. মহাভাৰত।
২. জাপান।
৩. পাৰচৰাই।
৪. শ্ উটুৰমুৰ্গ।
৫. বৃহস্পতি ;
৬. মিচৰদেশ।
৭. মেঘত থকা পানীৰ ভাৰ মেঘে বহন কৰিব নোৱৰাত বৃষ্টি হয়।
৮. প্ৰায় মানুহৰ মুঠিৰ সমান।
৯. পাৰদ।
১০. জৰ্জ ওৱাশ্বিংটন।
১১. প্যাছিফিক, অ্যাটলাণ্টিক আৰু ভাৰতমহাসাগৰ।
১২. ফ্লোৰেন্স নাইটিংগ্ল্।
১৩. ৰাইট্যামিন 'ডি'।
১৪. ওঠৰ বছৰ।
১৫. চাৰি বছৰত এবাৰকৈ।
১৬. স্পেন, মেক্সিকো।



জীৱন-শিল্প

মধুমতীনগৰৰ শাসক মানৱবৰ্মা কলাশিল্পৰ পৃষ্ঠপোষকৰূপে সুখ্যাত আছিল। মধুমতীনগৰত এক অনিন্দ্যসুন্দৰ বিষ্ণুমন্দিৰ নিৰ্মাণ কৰাৰ ইচ্ছাত তেওঁ আন্তৰিক। এই শিল্পকৰ্মৰ বাবে মূল শিল্পিৰ দায়িত্বতেওঁ প্ৰখ্যাত উদীয়মান শিল্পী ৰতিবাহনক সঁপিলে।

শিল্পী ৰতিবাহনে একাগ্ৰ চিত্তেৰে এই মহান শিল্পকৰ্মৰ বিষয়ে দিনে-নিশাই চিন্তা কৰি থাকিল।

এই মন্দিৰ সঠিকভাবে নিৰ্মাণ কৰিবলৈ হ'ল বিশেষ বিশেষ ধৰণৰ আৰু বৰণৰো শিল বিচাৰি আনিব লাগিব—এই কথা ভাবি শিল্পী ৰতিবাহনে নিজেই দূৰণিবটীয়া পাহাৰলৈ ওলাই পৰিল।

সেই পাহাৰ পাওঁতে চাওঁতে চাওঁতে দুপৰীয়াৰ পৰ পাৰ হৈ গ'ল, আৰু ৰতিবাহনে সামান্যমান সময়ো নষ্ট নকৰি শিল্পকৰ্মৰ বাবে শিল বিচৰাত লাগি গ'ল।

চাৰি-পাঁচচটা ভাল ভাল শিল বিচাৰি পাই — সেইবোৰ ৰতিবাহনে গাড়ীত বোজাই কৰি ল'লে। কিন্তু মন্দিৰৰ প্ৰধান শিল্পকৰ্মৰ বাবে যি শিল এচটা বিচাৰি আছিল—সেই শিলচটা একোপধ্যেই বিচাৰি উলিয়াব নোৱাৰিলে।

অৱশেষত কেইঘন্টেকমান জিৰণি লি'বৰ মনেৰে পাহাৰৰ নামনিত থকা এক সৰোবৰৰ পাৰত বহিলগৈ ৰতিবাহন, তেতিয়া অস্তগামী সূৰুযে সোণোৱালী বৰণ লৈছে।

হঠাৎ ৰতিবাহনৰ চকুত জলক-তবক লাগিল। এয়ানো তেওঁ কি দেখি আছে! অলপমান আঁতৰত—তেওঁৰ মনে-বিচৰা

নন্দিতা নেওগ



অপূৰ্ব শিল এচটা — পৰিপূৰ্ণ সোণহেন জিলিকি আছে!

অস্তগামী সূৰুযৰ স্বৰ্ণকিৰণ পৰি গোটেইচটা শিল সোণযেন হৈ ৰতিবাহনৰ দৃষ্টিকো স্বৰ্ণালী কৰি তুলিছে। ৰতিবাহনে অবাক বিস্ময়ৰে ভাবিলে : সৌ শিলচটা —সোণেই নহয় তো!

কিন্তু নহয়। সেই অপূৰ্ব সুষমামণ্ডিত শিলচটাৰ ওচৰলৈ গৈ ভালকৈ নিৰীক্ষণৰ অন্তত বুজিলে যে—শিল শিলেই আছে' সূৰ্যকিৰণেৰ মহিমাৰেহে শিলো সোণ হৈ সৌন্দৰ্য্যৰ আকৰ হৈ উঠিছে, যদিও—এই শিলচটাৰ বৰণো কিঞ্চিত সোণোৱালী যেনেই লাগিছে।

শিলচটাক অতি সাৰধানতাৰে গাড়ীত উঠাই লৈ ৰতিবাহন পুনৰ মধুমতীনগৰলৈ বুলি ৰাওনা হ'ল। নগৰ পাওঁতে ভালখিনি ৰাতি হ'ল। কিন্তু—উত্তেজনাৰ ফলতে হওক বা আন কোনো কাৰণতে হওক—ৰতিবাহনৰ চুচকুত টোপনি নহা হ'ল—

ৰাতিৰ যেতিয়া তিনিপাৰ পাৰ হ'ল—তেতিয়া ৰতিবাহনৰ চুচকুত টোপনি নামিল।

আৰু ৰতিবাহনে সপোনত এক নাৰীকণ্ঠৰ আৰ্তনাদ শুনিলে ? নাৰীকণ্ঠই কৈ আছিল :

"শিল্পী ৰতিবাহন! মই এক গন্ধৰ্বকন্যা। অভিশাপৰ ফলত শিললৈ ৰূপান্তৰিতা। তুমি সৰোবৰৰ পাৰৰপৰা যিচটা স্বৰ্ণালী শিল লৈ আহিলা—সেই শিল ময়েই। তুমি যে কিমান ডাঙৰ শিল্পী, মই জানো। তোমাৰ অমৃতহস্তেৰে মই কিজানি জীৱন্ত হৈ উঠিম তোমাৰ মৰমৰ স্পৰ্শেৰে।"

স্বপ্ন ভংগত ৰতিবাহনৰ নিদ্ৰাভংগ হ'ল, ৰতিবাহন শয্যাৰ ওপৰত উঠি বহিল।

সপোনৰ কথা ভাবি ভাবি ৰতিবাহন অতি বিস্ময়াপন্ন হৈ উঠিল। শিলচটালৈ প্ৰথমৰেপৰাই ৰতিবাহনৰ মনত প্ৰশ্ন

আছিল, এতিয়া সেই প্ৰশ্নৰ উত্তৰ সপোনত পোৱা হ'ল।

ৰাতি পুৱাল। ৰতিবাহনে তেওঁৰ পিতৃক শিলৰ কথা, সপোনৰ কথা ভাঙি-পাতি ক'লে।

পুত্ৰৰ কথাখিনি মনপুতি শুনাৰ অন্তত ৰতিবাহনৰ পিতৃয়ে ক'লে, "বোপা, তোমাৰ এই শিল যে আচৰিত ৰহস্যপূৰ্ণ অত্যদ্ভুত শিল—সেই কথা স্পষ্ট। তোমাৰ স্বপ্নও বোধকৰোঁ—সত্য। মোৰ মতে—তোমাৰ এই শিলৰ আৰু সপোনৰ বিস্তৃত বিবৰণ—মহাৰাজকো কোৱা আৱশ্যক।"

ৰতিবাহনে পিতাকৰ পৰামৰ্শমতে মহাৰাজক সকলো কথা বিশদভাবে আৰু নিখুঁতভাবে বুজাই ক'লেগৈ।

কিছু সময়লৈ মৌন হৈ থকাৰ অন্তত মহাৰাজে এজন লিগিৰাক আদেশ দিলে ৰাজ-দৈৱজ্ঞক মাতি আনিবলৈ।

দৈৱজ্ঞ তৎক্ষণাৎ আহিল, আৰু মহাৰাজে দৈৱজ্ঞক, আৰু ৰতিবাহনকো লগত লৈ তেওঁৰ একান্ত কক্ষলৈ সোমাল।

মহাৰাজে দৈৱজ্ঞক ৰতিবাহনৰ কথা, বিষ্ণুমন্দিৰ নিৰ্মাণৰ বাবে পাহাৰলৈ গৈ শিল বিচৰাৰ কথা, সোণোৱালী শিলৰ কথা, আৰু ৰতিবাহনৰ সপোনৰ কথা, গন্ধৰ্বকন্যাই সপোনত দেখা দিয়াৰ কথা সবিস্তাৰ কোৱাৰ অন্তত দৈৱজ্ঞৰপৰা এই বিষয়ে মতামত বিচাৰিলে।





দৈৱজ্ঞই কিছুপৰলৈ চকু মুদি মৌন হৈ থাকিল. ধ্যানমগ্ন যেন হ'ল, আৰু তাৰ পাছত চকু মেলি চাই ক'লে. "মহাৰাজ. ৰতিবাহনে কঢ়িয়াই অনা সেই স্বৰ্ণালী শিলচটা — প্ৰকৃততেই এক অভিশপ্তা গন্ধৰ্বকন্যা। ময়-দানৱ আছিল মহান শিল্পী। ময়-দানৱৰ শিষ্য আছিল পৰাঙ্কুশ। পৰাঙ্কুশ মানসী নামৰ এই গন্ধৰ্বকন্যাক ৰূপমুগ্ধ হৈ বিবাহ কৰিব খুজিছিল, কিন্তু মানসী সন্মত নোহোৱাত অভিশাপ প্ৰদানি শিললৈ ৰূপান্তৰিত কৰি ভূলোকলৈ নিক্ষেপ কৰিছিল। মোৰ বক্তব্য হ'ল এয়ে যে—এই শিলচটাৰে মহাৱিষ্ণু-মূৰ্তি বা মহাবিষ্ণুৰ বাবে মন্দিৰ নিৰ্মাণো কৰিব নালাগে। এই শিলৰ আৰু এক বিশেষত্ব আছে। এই শিলৰ ওপৰত যিজনৰ মুখ ক্ষোদিত হ'ব—সেইজনে চিৰযৌৱন প্ৰাপ্ত হ'ব।"

মহাৰাজ তেতিয়া—বৃদ্ধ নহ'লেও—পৌঢ়। দৈৱজ্ঞৰ এই কথাত মহাৰাজ মনে মনে উত্তেজিত হৈ উঠিল আৰু দৈৱজ্ঞক বিদায় দিলে। তাৰ পাছত তেওঁ শিল্পী ৰতিবাহনক ক'লে, "শিল্পী,সেই শিলচটাৰ ওপৰত অতি শীঘ্ৰে তুমি মোৰ মুখাবয়ৱ ক্ষোদিত কৰিবা। এই কাম দহদিনৰ ভিতৰত সমাপ্ত হ'ব লাগে।"

ৰতিবাহনে মহাৰাজৰ কথাৰ কোনো উত্তৰ নিদিলে।

ঘৰ পাই ৰতিবাহনে তাৰ পিতৃক সকলোখিনি কথা ক'লে, আৰু সি নিজৰ মনৰ ইচ্ছাও পিতাকৰ আগত অকপটে প্ৰকাশ কৰিলে।

পিতাকে ক'লে, "বোপা, যি ন্যায়সংগত, তাকে কৰিবা। ডৰ নকৰিবা।"

সেই নিশা গন্ধৰ্বকন্যাই পুনৰ সপোনত দেখা দি ৰতিবাহনক ক'লে, "ৰজাৰ ইচ্ছা ন্যায্য নহয় —একেবাৰে অন্যায়। সেই শিলৰ ওপৰত, হে অমৃতহস্ত শিল্পী, তুমি মোৰ মুখ ক্ষোদিত কৰিবা, মই তোমাৰ

আগত জীৱন্ত হ'ম ।— এয়ে ন্যায়সংগত ।”

পাছদিনা ৰতিবাহনে শিলচটাৰ সমুখত থিয় হৈ সপোনত দেখা গন্ধৰ্বকন্যাৰ মুখখনি সুঁৰৰি থাকিল আৰু তাৰ পাছত একাগ্ৰ মনেৰে সেই স্বৰ্ণালী শিলচটাৰ ওপৰত সেই লাৱণ্যময় মুখাকৃতি ক্ষোদিত কৰাত মগ্ন হৈ পৰিল। এই ভাস্কৰ্য্য কৰি থাকোঁতে ৰতিবাহন এক অনাস্বাদিত আবেগেৰে আপ্লুত হৈ পৰিল। যেনিবা— সেই লাৱণ্যময় মুখখনিয়ে তেওঁৰ সৈতে গুন-নুগুনকৈ কথা পাতিছে!

ঠিক দহদিনতে গন্ধৰ্বকন্যাৰ মুখখন— শিলৰ বুকুত সুন্দৰৰূপে ক্ষোদিত হ'ল। শিলৰ বুকুত কাটি উলিউৱা মুখখন যে সেই সপোনত দেখা মুখ—সেই গন্ধৰ্বকন্যাৰ মুখ—সেই কথাত ৰতিবাহনৰ মনত ৰতিমানো সন্দেহ নাথাকিল।

পাছদিনা ৰাতিপুৱা—মহাৰাণীক লগত লৈ মহাৰাজ আহিল শিল্পকৰ্ম চাবলৈ। কিন্তু সেই শিলৰ বুকুত তেওঁৰ মুখৰ সলনি সপোনত দেখা গন্ধৰ্বকন্যাৰ মুখ দেখি মহাৰাজ জুইহেন ক্ৰুদ্ধ হৈ উঠিল আৰু তলমূৰ হৈ শিলহেন হৈ থকা ৰতিবাহনক ক'লে, “ৰাজাজ্ঞালৈ উপেক্ষা প্ৰদৰ্শনৰ দণ্ড কি জানানে? মৃত্যুদণ্ড! হয়, একমাত্ৰ — মৃত্যুদণ্ড! আৰু এই দণ্ডয়েই তুমি পাবা।”

পাছ মুহূৰ্তত আকাশৰপৰা বজ্ৰপাত ধ্বনিত হ'ল, আৰু সেই বজ্ৰপাতৰ ফলত এই অপূৰ্ব মুখশ্ৰী সম্পন্ন শিলচটা চূৰ্ণ-বিচূৰ্ণ হৈ গ'ল।

তৎক্ষণাৎ মহাৰাজৰ মনত পৰিল— দৈৱজ্ঞই তেওঁক অতি গুপ্তভাৱে কোৱা কথাষাৰ। দৈৱজ্ঞই তেওঁক কৈছিল যে— এই শিলৰ বুকুত যাৰ মুখ ক্ষোদিত হ'ব, বজ্ৰপাতৰ ফলত তেওঁৰ মৃত্যুও হ'ব পাৰে।

তেওঁ কথমপি ৰক্ষা পোৱাৰ বাবে এতিয়া শিল্পীৰ ওচৰত কৃতজ্ঞ বোধ কৰিলে।





ৰছী-ৰহস্য

হৰিপুৰ গাঁৱৰ সৰু খেতিয়ক হৰকান্ত যেতিয়া ঢুকাল, তেতিয়া পৰিবাৰ মালতীও প্ৰায় লগে লগেই গ'লগৈ। থাকিল মাত্ৰ তিনিজন পুতেক। ডাঙৰ পুতেকে ক'লে, "এই ঘৰটো মোৰ।"

মাজুৱে কৈ উঠিল, "খেতি-মাটি য'ত যি যত আছে—মোৰ।"

সৰুৱে সুধিলে, "তেনেহ'লে—মোলৈ কি থাকিল?"

ডাঙৰে-মাজুৱে ক'লে, "এই যে ওলমি আছে ৰছীডাল—তাকে লৈ যা। তোৰ বোলা সেইখিনিয়েই আছেগৈ।"

সৰুটো—তাৰ নাম ডিমল—গৰুও নাছিল, ডৰপুকো নাছিল। সি কৈ উঠিল, "ঠিক আছে, এই ৰছীডালেৰেই মই ৰইনাইদি কোঁচাম জীৱন বচাম।"

সি ৰছীডাল কান্ধত পেলাই লৈ তেতিয়াই ওলাই পৰিল। আৰু গৈ গৈ হাবি পালেগৈ।

ডিমলে প্ৰথমতে অ'ত ত'ত পৰি থকা গছৰ শুকান ডালেৰে সজা এটা সাজিলে আৰু পাছত এক কেৰ্কেটুৱা আৰু এটা শহাপহু ধৰি সেই সজাত ভৰাই থ'লে। তাৰ পাছত সি গৈ গৈ—সেই সজাটোৰে সৈতে এক বিৰাট সৰোবৰ পালেগৈ।

সৰোবৰৰ পাৰত আছিল ঢেৰ জোপোহা। সেই জোপোহা বিলাকৰ ভিতৰত সি বিধোবিধ গুঁই, দেখা পালে। বৰ গুঁই, সোণ গুঁই, বাবৰিফুলীয়া গুঁই, টেক্‌টো গুঁই—সকলো ধৰণৰ আৰু বৰণৰ গুঁই। সি ৰছীৰে ফান্দ এটা বনাই লৈ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

গুঁই ধৰাৰ বাবে তাত বহি থাকিল।

এই সৰোবৰত আছিল এক জলৰাক্ষসৰ আবাস। জল-ৰাক্ষসে ইয়াত মানুহৰ ল'ৰা এটাক বহি থকা দেখা পাই ভাবিলেঃ ইনো ইয়াত কিহলৈ? ইয়াত কি লাগে?

জল-ৰাক্ষসে সৰোবৰৰ একেবাৰে তলি পালেগৈ। তাত সি তাৰ ল'ৰাটোক ক'লে, "ঐ, আমাৰ পুখুৰীটোৰ পাৰত এটা মানুহৰ ল'ৰা বহি, আছে, আৰু এডাল বিৰাট দীঘল ৰছীৰে কিবাকিবি কৰি আছে। গৈ চাচোন কি কৰিছে সি তাত? জল্‌দি জল্‌দি যাবি-আহিবি।"



জল-ৰাক্ষসৰ পো পানীৰ ওপৰলৈ আহিল, আৰু মানুহৰ ল'ৰাটোক সুধিলে, "—হেই, এতে কি কইছ্‌ছাহ্যা তুমি?"

ডিমলে নির্ভয়ে জলৰাক্ষসৰ পোৱালিটোক ক'লে, "দেখা নাইনে কি কৰিছোঁ? এই মন্ত্র-মতা ৰছীডালেৰে ফান্দ এটা বনাইছোঁ। এই ফান্দ এই পুখুৰীটোত পেলাম আৰু পুখুৰীটোক ফান্দত বান্ধি কান্ধত উঠাই লৈ গুচি যাম। তেতিয়া তোমালোকৰ কি হয় চাবা।"

জলৰাক্ষসৰ-পোৱালিটোৱে লগে লগে সৰোবৰৰ পানীত টুপুক্‌কৈ ডুব দিলে আৰু একেডুবে তলি পাই তাৰ দেউতাকক মানুহৰ পোৱালিটোৰ তলানলা কৈ দিলে। সি ক'লে, "ফান্দটো বিৰাট, আৰু সি আমাৰ পুখুৰীটোক ফান্দত বান্ধি কান্ধত লৈ গুচি যাব বুলি কৈছিহে—!"

"তেনেহ'লি— কথা মস্কিলেই হ'ল দেখিছোঁ। কাম এটা কৰ। তই এতিয়াই আকৌ তাৰ ওচ'লে যা। গৈ ক'গৈ যে—তোৰ লগত বাজী মাৰি গছ বগাবনে কি। যদি বাজীত ৰাজী হয়, সি হাৰিবই। আৰু তেতিয়া তই তাক গছৰপৰা পানীলৈ ঠেলি পেলাবি। বছ।"

জলৰাক্ষসৰ-পোৱালিয়ে ডিমলক ক'লেগৈ কথাটো। ডিমলে ক'লে, "ময়ই যে ফান্দৰ কামত বান্ধ খাই আছোঁ—



দেখানাইনে কি? ঠিক আছে, তোমাৰ লগত মোৰ পত্তিযুগিতা পাছত হ'ব, এতিয়া মোৰ ভায়েকটোৰ লগতে বাজী মাৰাচোন চাওঁ—?" এই বুলি কৈ, ডিমলে সজাৰপৰা কেৰ্কেটুৰাটোক উলিয়ালে—আৰু জলৰাক্ষস-পোৱালিয়ে বগাৰলৈ নৌ পাওঁতেই ডিমলৰ ভায়েক কেৰ্কেটুৰাই গছৰ মূধ পালেগৈ।

ল'ৰাৰপৰা এই কথা শুনি জলৰাক্ষসে ক'লে, "যো হুৰা ছো হুৰা। তই আক যা, এইবাৰ দৌৰৰ পত্তিযুগিতাৰ বাজী মাৰগৈ। এইবাৰ তাৰ আৰু সাৰণ নাই।"

জল-ৰাক্ষসৰ পোৱালি পুনৰ ডিমলৰ কাষ চাপিল। তাৰ কথা শুনি ডিমলে হো হো কৰে হাঁহি মাৰি ক'লে, "মোল্লগত পত্তিযুগিতাৰ আগতে আমাৰ কণভাইৰ লগতে দৌৰি চোৱাচোন এবাৰ।"

এই বুলি কৈ ডিমলে শহাটোক সজাৰপৰা উলিয়াই আনিলে, আৰু শহাটোৱে তিৰিংকৈ জঁাপ এটা মাৰি যিটি ফেঁটীৰ মূৰ ছিঙা লৰ ধৰিলে—সেই লৰ চাই জল-ৰাক্ষসৰ পো-ই দৌৰৰ কথা পাহৰি সৰোবৰৰ তলি পালেগৈ।

আৰু তেতিয়াহে জল-ৰাক্ষসয় হজ লৰিল। তাৰ হাই-ফাই লাগি গ'ল। সি তাৰ ল'ৰাটোক ক'লে, "যি দেখিছোঁ—ই আমাক বিপাঙত পেলাবই। গতিকে—ইয়াৰ লগত কিবা ধৰণৰ বন্দৰস্ত কৰাটোৱেই ভাল হ'ব। তাই তাক—সেই ফান্দোৱালকটোক সোধগৈচোন যে কিমান ধন পালে সি আমাক তাৰ ফান্দত নেপেলাব আৰু সি পুখুৰীটো পুখুৰীতে এৰি থৈ গুচি যাব?"

জল-ৰাক্ষসৰ পোৱালিটোৱে ডিমলক সুধিলে গৈ কথাটো।

অলপ পৰলৈ ভাবি চোৱাৰ পাছত ডিমলে তাৰ মূৰত থকা টুপিটো দেখুৱাই ক'লে, "এই—মাত্ৰ এ-টুপি ধন পালেই—মই পুখ্ৰী এৰি গুচি যাংগৈ।"

এইবাৰ পো-ৰপৰা পকা কথা শুনি জালত লগা শিঙৰা যেন হৈ পৰা জোৰা লৰা জল-ৰাক্ষসে জয় ৰাম জয় হৰি বুলিলে আৰু পাছত এপাচি সোণৰ মোহৰ লগত দি পুনৰ পো-ক পঠালে।

ইপিনে—মাটিত গাঁত এটা খান্দি—টুপিটোৰ ভিতৰত বিন্ধা এটা কৰি থৈছিল ডিমলে। এতেকে—যেতিয়া জলৰাক্ষস-পোৱালিটোৱে সোণৰ মোহৰখিনি আনি দিলে, তেতিয়া টুপিটো মোহৰেৰে নভৰা হ'ল। কিয় নো—টুপিটোৰ বিন্ধাৰ মাজেদি মোহৰবোৰ গাঁতৰ ভিতৰত পৰি থাকিল যে—জল-ৰাক্ষসৰ পোৱালিয়ে সেই কথা ঠাৱৰেই কৰিব নোৱাৰিলে।

গতিকে — পোৱালিটোৱে যেতিয়া তাৰ দেউতাকক ক'লেগৈ যে এপাচি ধনেৰে এ-টুপিও নহয়, তেতিয়া জলৰাক্ষসে কৈ উঠিল, "কি ক'ৰ— এপাচি ধনেৰে এটা টুপি নভৰা হ'ল! কেনেকুৱা—কিমান ডাঙৰনো এটা টুপি! টুপিনে জাপি সেইটু ?"

যি কি নহওক — আকৌ এপাচি সোণৰ মোহৰ দি পঠালে তাক। কিন্তু সেইবাৰো কথা একেই হ'ল। সোণৰ মোহৰখিনি শেষ হ'ল, টুপি নভৰা হ'ল।

আৰু তেতিয়া জলৰাক্ষসে বাধ্যত পৰি তৃতীয়বাৰও আন এপাচি সোণৰ মোহৰ পঠালে আৰু ভাগ্য ভাল যে—সেইবাৰ কথমপি টুপিটো ভৰিল আৰু ডিমলে তাৰ কথা মতে পুখুৰীটো পুখুৰীতে এৰি থৈ সেই ঠাইৰপৰা তৎক্ষণাৎ নিজৰ গাঁৱলৈ গুচি গ'ল।

পাছত অপৰিমিত ধনৰ গৰাকী ডিমলে মাটি-বাৰী কিনি বিৰাট পকী ঘৰ সাজি গাঁৱতে ফূৰ্তিৰে বাস কৰা দেখি তাৰ ককায়েক দুজনৰ চকু টেলেকা-টেলেক হৈছিল। কিন্তু ডিমলে জীৱনতো ৰছী-ৰহস্য প্ৰকাশ কৰা নাছিল।

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা।

পুৰস্কৃত নাম ১৯৯৬ চনৰ অগাস্ট সংখ্যাত প্ৰকাশিত হ'ব।


S.G. SESHAGIRI


S.G. SESHAGIRI

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৬ চনৰ জুন মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৬ চনৰ এপ্ৰিল মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : কৃষ্টিৰ সৃষ্টি
দ্বিতীয় ফটো : সময়ৰ দৃষ্টি

পাওঁতা : পূৰবী শৰ্মা, বেলনা, ভেঁহুৰা বৰপেটা, অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।]

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৬০.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Let's make the world a sweeter place to live in.



I'm planting a Tulsi tree. Hope it grows into a B-I-I-G one.



Lovable, blind Chacha Kunwar. He's been my parents' guide. The least I can do is help him cross safely.



Aha! This time Dad's got the flu and Mum's told me to give him a dose of medicine.



Gangu Bai has coolly taken the day off. Leaving Radha Mausi and me in a soapy mess.



Before that rich glutton of a Raju snatches my Kaju Barfi, let me give it to poor Smita.



Naughty Timmy has got himself hurt. Now this lil' Doc will set him right.



I'm helping Uncle Rajeev with the car repairs. Though Mum said "I'll be a spanner in the works".



With Chandra, my maths teacher, numbers are fun. Time I gave her a dozen smiling roses.

Ravalgaon
Mango Mood
Ravalgaon
Pan Pasand
Hi!
Ravalgaon

Avenues.RS.100.96

Ravalgaon™

Years and years of sweet success

CHANDAMAMA (Assamese) June 1996 Regd. No. TN / MS (S) 87

শিক্ষকৰ মনপচন্দৰ
অপ্সৰা বিউটি পেন্সিল

গাঢ় ক'লা আঁক
তীক্ষ্ণ জোঙা আগ
APSARA BEAUTY
বিনামূল্যে
Apsara Be
everest/95/HPL/74-ass
Apsara®

এটা নটৰাজ প্ৰেচ-ফিট শ্বাৰ্পেনাৰ ১০ দাল অপ্সৰা পেন্সিলৰ প্ৰতিটো পেকৰ লগত বিনামূল্যে।

অফাৰ কেৱল ষ্টক থকালৈকেহে খোলা।

হিন্দুস্তান পেন্সিলচ লিঃ ৰ
এক উৎকৃষ্ট উৎপাদন

বিউটি
বণ্ডেড লেড ★ এইচবি পেন্সিল